লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ
ৰাজনীতি বিজ্ঞান বিভাগৰ বছৰেকীয়া মুখপত্ৰ



# প্ৰতিফলন


প্ৰথম বছৰ প্ৰথম সংখ্যা - ২০১৫-২০১৬

তত্ত্বাৱধায়ক
সোণেশ্বৰী শইকীয়া
দেৱৰাজ দত্ত

সম্পাদক
ধীৰাজ বৰুৱা

# লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বছৰেকীয়া মুখপত্ৰ

# প্ৰতিফলন




প্ৰতি,

শ্ৰীযুত/যুক্তা..............................................................

..............................................................

তত্ত্বাৱধায়ক
সোণেশ্বৰী শইকীয়া
দেৱৰাজ দত্ত

সম্পাদক
ধীৰাজ বৰুৱা

**PRATIFALAN; An annual bulletin of the Department of Political Science, Lakhimpur Telahi Kamalabaria College, Session 2015-16, edited by Dhiraj Baruah and published by the Department of Political Science.**

# সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ- ড° বুবুল কুমাৰ শইকীয়া, অধ্যক্ষ, এল. টি. কে. কলেজ, আজাদ।

উপদেষ্টা ঃ- শ্ৰীযুক্তা সোণেশ্বৰী শইকীয়া

শ্ৰীযুত প্ৰফুল্ল নাথ

তত্বাৱধায়ক ঃ- শ্ৰীযুক্তা সোণেশ্বৰী শইকীয়া

দেৱৰাজ দত্ত

সম্পাদক ঃ- ধীৰাজ বৰুৱা

সহকাৰী সম্পাদক ঃ- লক্ষ্যজিত দত্ত

সদস্য/সদস্যা ঃ- গোপাল, দিগন্ত, মুজাম্মিল, ৰাহুল, মোহন

বেটুপাট ঃ- ইয়াচিন আলী

স্কেচ ঃ- দেৱৰাজ দত্ত

ৰোহিত শইকীয়া

অংগসজ্জা ঃ- ভাস্কৰজ্যোতি তামুলী

ইয়াচিন আলী

মূল্য ঃ- ৪৫.০০ টকা

মুদ্ৰন ঃ- গ্ল'ৰেল ডকোমেন্টৰী শ্ব'প, ৱাৰ্ড নং- ০৬, উত্তৰ লখিমপুৰ।

অধ্যক্ষৰ কাৰ্য্যালয়

# লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

ডাকঃ- আজাদ, উত্তৰ লখিমপুৰ

প্ৰসংগ নং ঃ-

তাৰিখঃ- ১৩/০৯/২০১৬

# শুভেচ্ছাবাণী

লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত 'প্ৰতিফলন' শীৰ্ষক এখনি পুস্তিকা প্ৰকাশৰ প্ৰয়াস কৰাৰ বাতৰি পাই আমি অতিশয় আনন্দিত হৈছো। ছাত্ৰ-ছাত্ৰী ও শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উৎকৃষ্ট মানৰ লেখনিৰে সমৃদ্ধ হৈ বৌদ্ধিক দিশটি উজল ৰূপত প্ৰতিফলিত কৰি তুলিব পাৰিব বুলি আশা ৰাখিলো।

শেষত ৰাজনীতি বিজ্ঞান বিভাগৰ 'প্ৰতিফলন'ৰ সম্পাদনাৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰী ও বিভাগীয় সকলোটিলে আমাৰ আন্তৰিক অভিনন্দন ও শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এই প্ৰয়াসৰ ধাৰাবাহিকতা আগলৈয়ো অক্ষুন্ন ৰাখিব বুলি বিশ্বাস ৰাখিলো।

**ড° বুবুল কুমাৰ শইকীয়া**
অধ্যক্ষ
এল. টি. কে. কলেজ, আজাদ
উত্তৰ লখিমপুৰ

# মহাবিদ্যালয়ৰ শীৰ্ষ আসনত উপৱিষ্ট



## ড° বুবুল কুমাৰ শইকীয়া (অধ্যক্ষ)

# উচৰ্গা

যিসকল বৰেণ্য ব্যক্তিৰ আপ্ৰাণ চেষ্টাত লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে আজি সফলতাৰ বাটত খোজ পেলাবলৈ সক্ষম হৈছে সেইসকল ব্যক্তিৰ শ্ৰীচৰণত এই গ্ৰন্থখনি উচৰ্গা কৰিলোঁ।

# সূচীপত্র


সম্পাদকীয় ◆ ধীৰাজ বৰুৱা

**ৰাজনৈতিক চিন্তা-চৰ্চা**

প্লেটোৰ ন্যায়ৰ ধাৰণা ◆ মনজিল দত্ত // ১
শিক্ষাৰ অধিকাৰ আৰু আমি ◆ দেৱযানী গগৈ// ২
ৰাজনীতিত মহিলাৰ সৱলীকৰণ ◆ ভাগ্যশ্ৰী বৰগোঁহাই // ৩
জাতীয় সংহতি আৰু বিচ্ছিন্নতাবাদ ◆ গোপাল সৰকাৰ// ৪-৫
মহাত্মা গান্ধীৰ অহিংসাৰ ধাৰণা ◆ বৰ্ণালী দেৱী ◆ প্ৰাক্তন ছাত্ৰী// ৬
অসমৰ ৰাজনীতিত মহিলা কিমান দূৰ সফল? ◆ ৰোহিত শইকীয়া // ৭-৮
ন্যায়িক পুনৰক্ষীণ বা সমীক্ষা ◆ মুকেশ দলে// ৯

**গল্পৰ কুঁকি**

অপেক্ষা ◆ বাহাৰুল ইছলাম // ১০
মাদকতা জীৱনৰ এক অকাল ভয়াবহতা ◆ তপন নাথ ◆ প্ৰাক্তন ছাত্ৰ // ১১-১২

**কবিতাৰ পৃথিৱী**

তোমাৰ অপেক্ষাত ◆ জুলি বৰা // ১৩
বিদায় বেলাত ◆ পুপুলি মিলি //১৩
জাগৰণ ◆ তৃষ্ণা গগৈ // ১৪
দেৱাংগনা ◆ ভাগ্যশ্ৰী বৰগোঁহাই // ১৪
বিষাদ ◆ বৰ্ণালী বৰা // ১৫
দহন ◆ ধৰিত্ৰী ডেকা // ১৫
মোৰ জীৱনৰ সংগ্ৰাম ◆ বাতুল বৰা // ১৬
আধৰুৱা জীৱনৰ কবিতা ◆ বিপুল দত্ত // ১৬
আঘোণ ◆ দিগন্ত গোঁহাই // ১৭
আহ্বান ◆ ৰাহুল কোঁৱৰ // ১৭
অপেক্ষা ◆ চন্দ্ৰধৰ পাংগিং // ১৮
স্মৃতিৰ ৰেঙণি ◆ ৰিংকুমনি নাথ // ১৮
ল. তে. ক. মহাবিদ্যালয় ◆ দিব্যজ্যোতি বৰা // ১৯

**অন্যান্য**

অগ্নিৰ ডেউকা ◆ ডলী বৰা // ২০-২১
বাস্তৱ সমাজৰ চিত্ৰ ◆ বৰ্ণালী বৰুৱা // ২২
উচ্ছৃংখল যুৱ মানসিকতা ◆ ধৰিত্ৰী ডেকা // ২৩-২৪
নৱ-প্ৰজন্ম আৰু বৰ্তমান সময় ◆ কল্যাণ শইকীয়া // ২৫
ছছিয়েল নেটৱৰ্কিং ছাইট আৰু যুৱ প্ৰজন্ম ◆ সমীৰণ দাস // ২৬
বৃহৎ নদীবান্ধ ◆ মোহন গগৈ // ২৭
ড° মামনি ৰয়ছম গোস্বামীৰ "তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা" ◆ লক্ষ্যজিত দত্ত // ২৮
Minority Rights in India ◆ Bhaskar Jyoti Tamuli ◆ Asstt. Prof. // ২৯-৩১

# সম্পাদকীয়

লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত প্ৰকাশিত আলোচনীৰ সম্পাদক হিচাপে এটা শিতান লিখিবলৈ লৈ থমকি ৰৈছো, ভাবিছো কি লিখিম, সূৰ্য্য উঠা মোৰ দেশৰ ৰূপ-গুণ বৰ্ণনাৰে আত্মসন্তুষ্টি লভিম নে কলংকৃত ইতিহাসক পুনৰ দোহাৰিম। এখন সৰ্বাঙ্গসুন্দৰ আলোচনীৰ সৃষ্টি হোৱাৰ আশাৰে ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিৱৰ্তনৰ বিষয়ে এটা দফা লিখিবলৈ আগবাঢ়িছো। আমাৰ দেশত বিভিন্ন জাতি-জনজাতি, ভাষা-গোষ্ঠীৰ লোকে বসবাস কৰে। এই সকলোবোৰ জাতি-জনজাতি লোকৰ কল্যাণ সাধন কৰাটো ভাৰতত প্ৰচলিত চৰকাৰ ব্যৱস্থাৰ বাবে এটা তীব্ৰ প্ৰত্যাহবান। এই প্ৰত্যাহবানক নেওচি বহুতো সফলতা বিফলতাৰ মাজেৰে ভাৰতৰ চৰকাৰ ব্যৱস্থাই স্বাধীনতা লাভৰ পিছৰে পৰা বৰ্তমান অৱস্থা পাইছেহি।


ভৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ য'ত জনসাধাৰণৰ হাততে সৰ্বাধিক ক্ষমতা প্ৰদান কৰা হয় আৰু জনসাধাৰণৰ মতামতকেই দেশৰ মত হিচাপে গণ্য কৰা হয়। সেয়েহে আমাৰ দেশৰ চৰকাৰে জনসাধাৰণৰ আশা-আকাংক্ষাক এৰাই চলিব নোৱাৰে। যদিহে চৰকাৰে জনসাধাণৰ মতামতক অৱজ্ঞা কৰে আৰু স্বেচ্ছাচাৰী শাসন ব্যৱস্থা দেশত আৰম্ভ কৰে তেতিয়া তেনে চৰকাৰৰ প্ৰতি জনসাধাৰণ সৰৱ হ'ব আৰু পৰৱৰ্তী নিৰ্বাচনত এক গুৰুত্বপূৰ্ণ ভূমিকা অৱলম্বন কৰি আগৰ চৰকাৰ ব্যৱস্থাক ওফৰাই নতুন চৰকাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব। যিহেতু ভাৰতবৰ্ষ এখন স্বাধীন আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰ সেয়েহে দেশৰ জনসাধাৰণে প্ৰতিনিধিসকলক নিৰ্বাচিত কৰে। সেয়েহে ভাৰতৰ দৰে দেশত এখন চৰকাৰে নিজৰ কাৰ্যকাল বৰ্তাই ৰাখিবলৈ হ'লে জনসাধাৰণৰ মতামতক আগস্থান দি দেশৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ দিশত অগ্ৰসৰ হ'ব লাগিব।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ব্ৰিটিছৰ ঔপনিবেশিক শাসনৰ পৰা আমাৰ দেশে স্বাধীনতা লাভ কৰিলে। স্বাধীনতা লাভৰ পিছত ভাৰতৰ প্ৰথমটো সাধাৰণ নিৰ্বাচন ১৯৫২ চনত অনুষ্ঠিত হয়। এই নিৰ্বাচনত কংগ্ৰেছ দলে বিপুল ভোটত একমাত্ৰ দল হিচাপে জয় লাভ কৰে। কংগ্ৰেছ দলে পণ্ডিত জৱাহৰলাল নেহৰুক ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰি স্বাধীন ভাৰতৰ শাসন কাৰ্য পৰিচালনা কৰাৰ দায়িত্ব অৰ্পন কৰে। প্ৰায় একেৰাহে তিনিটা সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে ভাৰতবৰ্ষত নিজৰ আধিপত্য বৰ্তাই ৰাখিবলৈ সক্ষম হয় আৰু সেই সময়ত কংগ্ৰেছ এটা অতি জনপ্ৰিয় দল হিচাপে পৰিচিত হয়। প্ৰথম অৱস্থাৰ পৰা যোৱা কেইটামান বছৰলৈকে কংগ্ৰেছ দলে দেশৰ জনসাধাৰণৰ স্বাৰ্থ

ৰক্ষা কৰাত সফল হৈছিল বুলিয়েই ক'ব পাৰি। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনক আগুৱাই নি ভাৰতবৰ্ষক স্বাধীন কৰা ঐতিহাসিক কংগ্ৰেছ দলৰ জনপ্ৰিয়তা লাহে-লাহে কমি আহিছে। আজিৰ পৰা দুবছৰৰ আগতে হৈ যোৱা ভাৰতবৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ ফলাফলে জনসাধাৰণৰ কংগ্ৰেছ দলৰ প্ৰতি থকা অনাস্থাৰ স্থিতিকে সূচায়। উক্ত নিৰ্বাচন মৰ্মে যি নতুন চৰকাৰ ব্যৱস্থাই মূৰ দাঙি উঠিছে তাৰ প্ৰতি দেশৰ জনসাধাৰণ গভীৰ আশাবাদী। এই ৰাজনৈতিক পৰিৱৰ্তনৰ মূল কাৰণ হৈছে পূৰ্বৰ চৰকাৰৰ দেশ তথা জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত লোৱা অনিহা স্থিতি। জনসাধাৰণৰ আশা-আকাংক্ষা, অভাৱ-অভিযোগ, নিৰাপত্তা আদিৰ লগতে আৰু বিভিন্ন সমস্যাৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰে জনসাধাৰণে বিচৰা ধৰণে কাৰ্য সম্পাদন কৰিবলৈ সক্ষম হোৱা নাছিল।

এই সমূহৰ উপৰিও বন্যপ্ৰাণী সমূহক সুৰক্ষা প্ৰদান কৰা, মূল্যবৃদ্ধি ৰোধ কৰা, সীমাৰ বিবাদ নিষ্পত্তি কৰা আৰু অবৈধ প্ৰব্ৰজন ৰোধ কৰা আদি বিভিন্ন দিশত চৰকাৰ বিফল হোৱা দেখা গৈছে। এই সমস্যাসমূহৰ স্থায়ী সমাধান বিচাৰি দেশৰ জনসাধাৰণে ভাৰতবৰ্ষত যি ৰাজনৈতিক পৰিৱৰ্তন আনিলে তাৰ ফলস্বৰূপে ভাৰতবৰ্ষত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰম্ভ হ'ল ভাজপা চৰকাৰৰ শাসন ব্যৱস্থা। এই নতুন চৰকাৰখনে পূৰ্বৰ চৰকাৰে সুৰক্ষিত কৰিব নোৱাৰা বিষয় সমূহ গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব বুলি জনসাধাৰণ আশাবাদী। কিন্তু দেখা গৈছে যে, বিগত দিনবোৰত এই নতুন চৰকাৰখনেও সীমা বিবাদ, অবৈধ প্ৰব্ৰজন, উগ্ৰপন্থীৰ সমস্যা, বন্যপ্ৰাণীৰ সুৰক্ষা, মূল্য বৃদ্ধি আদি বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত জনসাধাৰণে আশা কৰা ধৰণে উচিত পদক্ষেপ লোৱাত বিফল হৈছে।

শেষত পূৰ্বৰ চৰকাৰৰ দিনৰ ভুল-ত্ৰুটিসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰি কেন্দ্ৰত অধীস্থিত বৰ্তমানৰ চৰকাৰখনে অতি সাৱধানেৰে আৰু কৌশলপূৰ্ণভাৱে জনসাধাৰণৰ আশা আকাংক্ষাসমূহক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ৰাখি আমাৰ লিখনীয় শিতানৰ সামৰণি মাৰিলো।❑



**সম্পাদক**
**শ্ৰীৰাজ বৰুৱা**
স্নাতক তৃতীয় ষান্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ,
এল. টি. কে. কলেজ, আজাদ,
উত্তৰ লখিমপুৰ।


# প্লেটোৰ ন্যায়ৰ ধাৰণা

**মনজিল দত্ত**
*স্নাতক তৃতীয় ষান্মাসিক*

*গ্ৰীচৰ* ৰাজনৈতিক ইতিহাসত প্লেটো আৰু এৰিষ্ট'টলে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। গ্ৰীচত প্ৰচলন থকা নগৰ ৰাষ্ট্ৰসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ বিশ্লেষণ কৰি ৰাজনৈতিক সমস্যা সমাধানৰ বাবে পৰামৰ্শ আগবঢ়োৱা প্ৰথম ব্যক্তি আছিল প্লেটো। এই বিষয়ত এৰিষ্ট'টলেও প্লেটোক অনুসৰণ কৰিছিল। ইউৰোপৰ বুদ্ধিজীৱি সকলৰ ভিতৰত প্লেটো আৰু এৰিষ্ট'টলকে লেখক হিচাপে আগস্থান দিয়া হয়।

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ভেটি হৈছে ন্যায়। তেওঁৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰত জ্ঞান (Wisdom), সাহস (Courage), আত্ম নিয়ন্ত্ৰণ (Self Control) আৰু ন্যায় (Justice) - এই চাৰিটা গুণ থাকিব লাগে। তেওঁৰ মতে জ্ঞানী আৰু গুণী লোকসকলক আদৰ্শ ৰাষ্ট্ৰৰ পৰিচালনাৰ দায়িত্ব দিব লাগে। এনে লোকৰ সংখ্যা কম হ'লেও তেওঁলোকৰ অভিজ্ঞতা আৰু জ্ঞান থকাৰ কাৰণে ৰাষ্ট্ৰৰ প্ৰশাসন কাৰ্য সুকলমে পৰিচালনা কৰিব পাৰে। দ্বিতীয়তে যিসকল লোকৰ মনত সাহসৰ প্ৰবৃত্তি বিদ্যমান তেওঁলোকক ৰাষ্ট্ৰৰ সামৰিক বিভাগত নিয়োগ কৰিব লাগে। এনে লোকৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰতিৰক্ষাৰ দায়িত্ব অৰ্পন কৰিলে তেওঁলোকে নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিব বুলি আশা কৰিব পাৰি। তৃতীয়তে - যিসকল লোক সামগ্ৰী উৎপাদনৰ বাবে উপযুক্ত তেওঁলোকক উৎপাদন কাৰ্যত নিয়োগ কৰিব লাগে। এই শ্ৰেণীৰ লোকে দৰকাৰী সামগ্ৰী উৎপাদন কৰি আদৰ্শ ৰাষ্ট্ৰক বিভিন্ন বিষয়ত স্বাৱলম্বী কৰি তুলিব বুলি আশা কৰিব পাৰি।

প্লেটোৰ মতে সমাজৰ যিটো শ্ৰেণীৰ লোক যি কামৰ বাবে উপযুক্ত সেই শ্ৰেণীৰ লোকক সেই কামত আত্ম-নিয়োগৰ সুবিধা দিয়াই হৈছে ন্যায়। প্লেটোৰ মতে মানুহৰ মনত জ্ঞান (Knowledge), সাহস (Courage) আৰু ক্ষমা (Appetite) এই তিনিটা প্ৰবৃত্তিৰ ভিতৰত সমাজত জ্ঞানী, সাহসী আৰু উৎপাদক এই তিনি শ্ৰেণীৰ লোক পোৱা যায়। প্লেটোৰ মতে, যি সমাজত উৎপাদনকাৰীসকলে আনৰ কামৰ ওপৰত হস্তক্ষেপ নকৰি নিজৰ কাৰ্য সম্পাদন কৰে সেই সমাজ বা ৰাষ্ট্ৰক ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত বুলি কোৱা হয়। এনে এজন লোকে নাইবা এটা শ্ৰেণীয়ে আন এজন লোক বা আন এটা শ্ৰেণীৰ লোকৰ কামৰ ওপৰত হস্তক্ষেপ নকৰে। প্ৰকৃতিয়ে যি শ্ৰেণীৰ লোকক যি কামৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিছে, সেই শ্ৰেণীৰ লোকে নিজৰ কামত আত্ম-নিয়োগ কৰাটোৱেই হৈছে ন্যায়। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ এই ন্যায়ৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। ❑



# শিক্ষাৰ অধিকাৰ আৰু আমি

*দেৱযানী গগৈ*
*স্নাতক প্ৰথম ষান্মাসিক*

*আমি* সকলোৱেই জ্ঞাত যে - আমাৰ ভাৰতবৰ্ষৰ সংবিধানৰ ২৯ নং আৰু ৩০ নং অনুচ্ছেদৰ জৰিয়তে সকলো ভাৰতীয়লোকক শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ প্ৰদান কৰা হৈছে। অৰ্থাৎ এই অনুচ্ছেদৰ জৰিয়তে চৰকাৰী ধন বা অনুদানেৰে প্ৰতিষ্ঠা কৰা সকলোবোৰ শিক্ষানুষ্ঠানতে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰাৰ সুযোগ লাভ কৰিব। তদুপৰি ২০০৯ চনত চৰকাৰে প্ৰাথমিক শিক্ষা বিশেষকৈ, প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে সকলো ভাৰতীয় ছাত্ৰ-ছাত্ৰীক বাধ্যতামূলক বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল। ইয়াৰোপৰিও সৰ্বশিক্ষা অভিযান মিছনেও কিছুমান ছাত্ৰ-ছাত্ৰী তথা আৰ্থিকভাৱে পিছপৰাসকলৰ বাবে বিনামূলীয়াকৈ পঢ়াশুনাৰ লগতে থকা, খোৱা-শোৱাৰ বাবে কিছুমান আৱাসিক বালক-বালিকা বিদ্যালয় প্ৰতিষ্ঠা কৰিছে। তৎসত্তেও আমাৰ সমাজত সঘনে দৃষ্টিগোচৰ হোৱা মূল- কথাটি হ'ল যে বহুতো কণ-কণ ল'ৰা-ছোৱালীক তেওঁলোকৰ পিতৃ-মাতৃয়ে এই বিনামূলীয়া শিক্ষাৰ পৰাও বঞ্চিত কৰিছে। শিশুসকলৰ পঢ়া-শুনাৰ বাবে পিতৃ-মাতৃ সকলৰ টকা-পইচাৰ খৰছ নোহেৱা সত্ত্বেও বিনামূলীয়া শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো শিশুসকলক বিদ্যালয়লৈ পঠিওৱাত অৱহেলা কৰে কিয়? এইটো সম্পূৰ্ণভাৱে দৃষ্টিগোচৰ হয় যে- পিতৃ-মাতৃ সকলে দুটামান অৰ্থৰ বাবে বিভিন্ন দোকান, হোটেল, কল-কাৰখানা আদিত কাম কৰিবলৈ পঠিয়ায়। অন্যহাতে এচাম পিতৃ-মাতৃয়ে তেওঁলোকৰ সতি-সন্তানক কোনোবা ধনী বা মালিক শ্ৰেণীৰ মানুহৰ হাতত বনকৰা বা কাম কৰা মানুহ হিচাপে গতাই দিয়ে যাৰ বিনিময়ত পিতৃ-মাতৃসকলে লাভ কৰে কেইটামান টকা।

গতিকে আমি সকলো জনসাধাৰণে সকলোবোৰ কথা চালি-জাৰি চাই ইয়াকে বুজি উঠা উচিত যে বিশেষকৈ প্ৰাথমিক শিক্ষা প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে বিদ্যালয়ত প্ৰদান কৰা বহুমূলীয়া শিক্ষা কণ কণ শিশু সকলৰ বাবে মৌলিক অধিকাৰ বা কৰ্তব্য। এই অধীকাৰৰ কৰ্তব্যৰ পৰা তেওঁলোকক বঞ্চিত কৰাটো উচিত নহয়। এইটো এটা আইন মতে অতি দণ্ডনীয় অপৰাধৰ কাম।

সেয়েহে আমি সকলো-জনসাধাৰণ সচেতন হৈ তেওঁলোকক অৰ্থাৎ কণ-কণ শিশু সকলৰ এই অধিকাৰটি ৰক্ষা কৰোঁ আহক। যিহেতু শিশুসকলেই হৈছে দেশৰ ভৱিষ্যৎ নাগৰিক। গতিকে আমি সকলো জনসাধাৰণ সচেতন ও সংগবদ্ধ হৈ কণ-কণ শিশুসকলক মৌলিক অধিকাৰৰ পৰা বঞ্চিত নকৰি তেওঁলোকক সমাজৰ উপযুক্ত, জ্ঞানী আৰু প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত আগভাগ ল'বলৈ প্ৰতিজ্ঞাবদ্ধ হওঁ আহক। ❑

❑ *যি নিজৰ ওপৰত বিশ্বাস নাৰাখে তেওঁ কোনো কামতে সফল হ'ব নাৱাৰে।*

*—নেপোলিয়ন বোনাপাৰ্ট*

# ৰাজনীতিত মহিলাৰ সৰলীকৰণ

*ভাগ্যশ্ৰী বৰগোহাঁই*
*স্নাতক পঞ্চম ষান্মাসিক*

*ৰাজনীতিৰ* লগত মাহিলাৰ সম্পৰ্ক অতি প্ৰাচীন। ৰাজ পৰিচালনাত, ৰজাৰ অৱৰ্তমানত ৰাজ্য পৰিচালনাত নাৰীৰ ভূমিকা নতুন কথা নহয়। যুদ্ধ ক্ষেত্ৰত উজ্বলি উঠা নাৰীৰ হাতৰ তৰোৱালৰ কাহিনীয়ে বিশ্ব ইতিহাসৰ পাত উজ্বলাই ৰাখিছে। সময়ৰ পৰিৱৰ্তন হৈছে, কিন্তু বিচ্ছিন্ন হোৱা নাই ৰাজনীতিৰ লগত মহিলাৰ সম্পৰ্ক। কাৰণ নাৰী বিবৰ্জিত গণতান্ত্ৰিক দেশত ৰাজনীতি কেতিয়াও সম্ভৱ নহয়। দেশৰ সমস্যা সমাধানত পুৰুষ আৰু নাৰী উভয়ৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত দুই দশক কাল প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে অপ্ৰতিদ্বন্দি হৈ দেশৰ শাসন কাৰ্য্য চলাইছিল। ইংলেণ্ডৰ মাৰ্গাৰেট থেচাৰ, ইজৰাইলৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী গল্ডমেয়ৰ, শ্ৰীলংকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰীমাভু বন্দনায়ক এইসকল আন্তঃৰাষ্ট্ৰীয় ব্যক্তিয়ে বিশ্ব ৰাজনীতিত তেলপাৰ লগাইছিল। এসময়ত পাকিস্তানৰ জেনেৰেল জিয়াউৰ ৰহমানৰ চকুৰ টোপনিক কাঢ়ি নিছিল বেনজিৰ ভুট্টোৱে।

বিভিন্ন সমস্যাই ভাৰতৰ ৰাজনৈতিক মঞ্চলৈ মহিলা সকলক টানি আনিলে। ছোনিয়া গান্ধী, ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিল, লোকসভাৰ অধ্যক্ষা মীৰা কুমাৰী, সুষমা স্বৰাজ, বিজয়া চক্ৰৱৰ্তী, ৰেনুপমা ৰাজখোৱা, অলকা শৰ্মা আদি বিশিষ্ট মহিলাই ভাৰতৰ ৰাজনৈতিক সমস্যা সমাধানত গুৰুত্ব ভূমিকা গ্ৰহণ কৰিছে।

লক্ষণীয় যে, মহিলাসকলৰ এই সাফল্যৰ মূলতেই হৈছে তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থতকৈ সাৰ্বজনীন স্বাৰ্থৰ প্ৰতি থকা আগ্ৰহ আৰু দলৰ প্ৰতি থকা শ্ৰদ্ধা।

ৰাজনীতিৰ বহল ক্ষেত্ৰখনত মহিলাৰ প্ৰৱেশ ঘটিলেও লোকসভা, বিধানসভা, পৌৰসভা, জিলা পৰিষদ, গাওঁ পঞ্চায়ত আদিত আজিও মহিলা অৱহেলিত হৈ আছে। অতি কমসংখ্যক মহিলাইহে ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণৰ সুবিধা পাইছে। পুৰুষ প্ৰধান সমাজত আজিও মহিলাসকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰা হৈছে। তদুপৰি পুৰুষসকলে ৰাজনীতিৰ ক্ষেত্ৰত মহিলাৰ জ্ঞান কম বুলি ভাৱে। ৰাজনীতিৰ মঞ্চলৈ অভূতপূৰ্ব সাফল্য কঢ়িয়াই অনা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জিয়ে মন্তব্য কৰিছে যে, "ৰাজনীতিত নাৰীৰ প্ৰয়োজন অতি গুৰুত্বপূৰ্ণ।"

আমি দেখিবলৈ পাইছো যে আমাৰ জীৱনৰ প্ৰধান সমস্যাবিলাক ৰাজনীতিৰ জৰিয়তে সমাধান হয়। সেয়েহে প্ৰতিগৰাকী নাৰী ৰাজনৈতিকভাৱে সচেতন হ'ব লাগিব। প্ৰতিনিধিত্বৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰখনত সদায় সমগ্ৰ জনসাধাৰণৰ প্ৰতিনিধি থাকিব লাগিব।

ভাৰতবৰ্ষৰ প্ৰায় আধাসংখ্যক লোকেই মহিলা, গতিকে এওঁলোকৰ ওপৰতেই নিৰ্ভৰ কৰিছে ভাৰতবৰ্ষৰ সভ্যতা, সমাজ আৰু ভৱিষ্যৎ। দেশৰ সকলো জনসাধাৰণক কেৱল নাৰীয়েহে সংঘবদ্ধ কৰিব পাৰিব।❑

❑ জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱ নহয়। গৌৰৱ হ'ল কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱাটো।

-------- জৱাহৰলাল নেহেৰু

# জাতীয় সংহতি আৰু বিচ্ছিন্নতাবাদ

*গোপাল সৰকাৰ*
*স্নাতক পঞ্চম ষান্মাসিক*

*যিকোনো* দেশৰ জাতীয় সংহতিৰ প্ৰশ্ন সকলোৰে বিবেচ্য। জাতীয় সংহতি বৰ্তি থকা ভাৰতবৰ্ষ বহু জাতি, বহু গোষ্ঠী বা সম্প্ৰদায় আৰু বহু ভাষাৰ দেশ হ'লেও জাতীয় সংহতি গঢ়ি তোলা অসম্ভৱ নহয়। ইয়াৰ কাৰণে প্ৰয়োজন-পাৰস্পৰিক সম্প্ৰীতি, জাতীয় ঐক্য আৰু জনকল্যাণৰ ৰাষ্ট্ৰীয় উদ্যোগ।

বৰ্তমান ভাৰতত প্ৰাদেশিকতা কিম্বা আঞ্চলিকতাৰ উপৰিও বিচ্ছিন্নতাবাদৰ হিংস্ৰ কাৰ্য্য-কলাপ অতিশয় উদ্বেগৰ কাৰণ হৈ পৰিছে। কেউফালে সাম্প্ৰদায়িক বিদ্বেষ, ৰাজনৈতিক বিদ্বেষ আৰু ভাষিক বিদ্বেষে জাতীয় সংহতি ধ্বংসৰ যজ্ঞ চলাইছে। গোষ্ঠীগত দ্বন্দ্বত জীৰ্ন-বিদীৰ্ন হৈছে - জাতীয় সংহতি। এই প্ৰৱনতাই জাতীয় সংহতিৰ সন্মুখত ভাবুকি স্বৰূপে থিয় দি পৰিছে।

ভাৰতবৰ্ষৰ ৰাজ্য অসম, বিহাৰ, ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ, তামিলনাডু, পঞ্জাৱ আদিৰ প্ৰত্যেকৰে সুকীয়া ইতিহাস আছে। অসমীয়া, বঙালী, বিহাৰী, তামিল, গুজৰাটী, পঞ্জাৱী আদি প্ৰত্যেকৰে নিজা-নিজা পৰিচয়ো আছে, তথাপিও সকলোৰে উমৈহতীয়া পৰিচয় ভাৰতীয়, দেশৰ ভিতৰতো বা বিদেশতো। এই পৰিচয় কেৱল ৰাজনৈতিক নহয়। হাজাৰ বছৰীয়া ঐতিহ্য পৰম্পৰা আৰু সংস্কৃতিৰ পৰিচয়। ভাৰতীয় সংস্কৃতিক নাজানিলে ভাৰতক জনা সম্ভৱ নহয় আৰু ভাৰতীয় সংস্কৃতিক নাজানিলে ভাৰতৰ ঐক্যৰ সাধনাও নিস্ফল।

বিচ্ছিন্নতাবাদী প্ৰৱনতাই হাত উজান দিয়াৰ প্ৰধান কাৰকবোৰ হ'ল অৰ্থনৈতিক অনগসৰতা তথা শোষণ, প্ৰশাসনীয় অবজ্ঞা তথা অবিচাৰ আৰু সামাজিক বৈষম্য। অৰ্থনৈতিকভাৱে অনগ্ৰসৰ আৰু ৰাজধানীৰ পৰা দূৰত অৱস্থিত ৰাজ্যসমূহৰ মাজত এনে এক ধাৰণাৰ বৰ্তমান গা কৰি উঠিছে যে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ প্ৰতি সততে মাহী আইৰ চকুৰে চাই আহিছে। উদাহৰণস্বৰূপে অসমৰ কথাকে ক'ব পাৰি।

বৰ্তমান অসম বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। বানপানী, উগ্ৰপন্থী, নিবনুৱা সমস্যাকে ধৰি এশ এবুৰি সমস্যাই জৰ্জৰিত কৰি ৰখাৰ সময়তে অঞ্চল বিশেষে দেখা দিয়া গোষ্ঠী সংঘৰ্ষই পৰিস্থিতি জটিল কৰি তুলিছে। ৰাজ্যখনৰ অন্য অঞ্চলৰ কথা বাদ দিলে বি. টি. এ. ডি এলেকাতেই ১৯৯৩ চনৰ পৰা এতিয়ালৈকে ৬ বাৰ গোষ্ঠী সংঘৰ্ষই উদ্ভৱ হ'ল। এই সংঘৰ্ষবোৰৰ মূল কাৰকবোৰ পৰ্যালোচনা কৰাৰ পৰিৱৰ্তে চৰকাৰ, বুদ্ধিজীৱি সকলো ব্যস্ত হৈ পৰে নিজা নিজা ধৰণেৰে ঘটনাৰ ব্যাখ্যা কৰাত। কিন্তু সমাধানৰ সূত্ৰ তাত নাথাকে। ভাৰতৰ সকলো ৰাজ্যতে বৰ্তমান গোষ্ঠী সংঘৰ্ষই গা কৰি উঠিছে। উত্তৰ পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ ক্ষেত্ৰত আকৌ বিদেশী প্ৰবজনৰ নিচিনা গুৰুত্বৰ সমস্যা এটা সততে খিলঞ্জীয়া লোকসকলক বিতুষ্ট কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে যথোচিত মনোযোগ নিদিয়াত জনসাধাৰণ সন্দেহবান হৈ উঠিছে। এইবোৰৰ বাবেই এনেবোৰ ৰাজ্য, এনেবোৰ গোষ্ঠীৰ মাজত প্ৰবল অসন্তোষে দেখা দিছে আৰু আত্ম-নিয়ন্ত্ৰণৰ দাবী উত্থাপিত হৈছে। এই দাবীৰ সু-বিচাৰ নোপোৱাত বিচ্ছিন্নতাবাদী প্ৰৱনতাই গা- কৰি উঠিছে।

নিশ্চিতভাৱে জাতীয় সংহতিৰ সন্মুখত ই প্ৰতিবন্ধক ৰূপে থিয় দিছে।

আমাৰ সংবিধানে কেন্দ্ৰক প্ৰভূত ক্ষমতা প্ৰদান কৰিছে। সেয়ে শাসন পদ্ধতি অতি কেন্দ্ৰীক হৈ পৰিছে। সম-সাময়িক ঘটনাৱলীয়েও আমাৰ সংবিধানৰ ব্যৰ্থতাকে প্ৰমান কৰে। সেয়ে সময় থাকোতেই এই দিশবোৰ বিশ্লেষণ কৰি প্ৰয়োজনীয় সংশোধনৰ দ্বাৰা জাতীয় সংহতি অক্ষুন্ন কৰি ৰাখিবলৈ প্ৰতিজন ভাৰতীয় নাগৰিক সচেতন হোৱা উচিত। কিয়নো এইবোৰৰ ওপৰতে এখন ৰাষ্ট্ৰৰ শান্তি-শৃংখলা তথা অখণ্ডত নিৰ্ভৰ কৰে। সেয়েহে কোনো কাৰণতে যাতে ৰাষ্ট্ৰৰ জাতীয় সংহতি বিনষ্ট নহয়, তাৰ প্ৰতি সততে দৃষ্টি ৰখাটো অতীকে প্ৰয়োজন।❑

# কুইজ সম্পৰ্কে কেইটামান তথ্য

কুইজৰ উৎপত্তি হয় আমেৰিকা যুক্তৰাষ্ট্ৰত ত্ৰিশৰ দশকত। 'টেক ইট অৰ লিভ্ ইট' নামৰ এটা ৰেডিঅ' অনুষ্ঠানত উক্ত 'কুইজ'ৰ আৰম্ভণি ঘটে। ভাৰতবৰ্ষৰ দূৰদৰ্শনত আশীৰ দশকৰ পৰা কুইজ অনুষ্ঠান পৰিবেশন কৰা হয়। অসমত (গুৱাহাটীত) ১৯৬৬-৬৭ চনৰ পৰা ৰাজহুৱা মঞ্চ আৰু বিদ্যালয় আৰু মহাবিদ্যালয়ত কুইজ অনুষ্ঠিত হৈ আহিছে। ১৯৯২ চনত সেয়েহে অসমে কুইজৰ ৰূপালীজয়ন্তী বৰ্ষ পালন কৰে। গুৱাহাটী দূৰদৰ্শনৰ জৰিয়তে ১৯৮৫ চনৰ ৩১ মে' তাৰিখৰ পৰা অসমীয়া কুইজ প্ৰচাৰিত হয়।

*********

# মহাত্মা গান্ধীৰ অহিংসাৰ ধাৰণা

**বৰ্ণালী দেৱী**
*প্ৰাক্তন ছাত্ৰী*

*মহামানৱ* মহাত্মা গান্ধীৰ প্ৰকৃত নাম হ'ল- মোহনদাস কৰমচাঁদ গান্ধী। ১৮৬৯ চনৰ ০২ অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰত এইজনা পুন্যাত্মাই জন্ম লাভ কৰিছিল। গান্ধীজীৰ অহিংসাৰ ধাৰণাটো হৈছে- মানৱীয় নৈতিকতা আৰু ধৰ্মৰ এক প্ৰাচীন নীতি। তেওঁ এই নীতিটো নিজৰ জীৱনত আখৰে-আখৰে পালন কৰিছিল। গান্ধীজীৰ মতে - অহিংসা নীতি বুলিলে কোনো জীৱন্ত প্ৰাণীক আঘাত নকাৰা, কু-চিন্তা নকৰা, মিছা কথা নোকোৱা, কাকো হিংসা নকৰা, কাৰো প্ৰতি বিদ্বেশভাৱ পোষন নকৰা, আনৰ মনত আঘাত নিদিয়া আৰু আনৰ বাবে প্ৰয়োজনীয় বস্তু নিজৰ হাতত নৰখা ইত্যাদিকে বুজায়। এক কথাত অহিংসাৰ দ্বাৰা গান্ধীজীয়ে সৎ কৰ্ম, সৎ চিন্তা আৰু সৎ কথাক বুজাইছে।

গান্ধীজীৰ মতে - অহিংসা নীতিক দুৰ্বলীৰ অস্ত্ৰ বুলি ভবা উচিত নহয়। কাপুৰুষ আৰু দুৰ্বল ব্যক্তিয়ে এই নীতিক প্ৰয়োগ কৰিব নোৱাৰে। অহিংসা নীতি কেৱল শক্তিশালী বক্তিৰহে অস্ত্ৰ। তেওঁ এই নীতি পালন কৰাৰ মূল কাৰণ হ'ল যে - হিংসাতকৈ অহিংসাই সদায় শ্ৰেষ্ঠ। গান্ধীজীৰ মতে, মহৎ আৰু নৈতিক লক্ষ্য পূৰণৰ বাবে হিংসা বৰ্জনীয়। যিকোনো প্ৰকাৰে হিংসা বৰ্জন কৰিবই লাগিব। মহৎ লক্ষ্য সাধনৰ বাবে পন্থা বা উপায় সমূহো নৈতিক আৰু সৎ হ'ব লাগিব। গান্ধীজীয়ে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম পৰিচালনা কৰোতে সদায় অহিংসা নীতি মানি চলিছিল। অহিংসা নীতিৰ ভিত্তিতেই গান্ধীজীয়ে অসহযোগ, আইন-অমান্য আৰু ভাৰত ত্যাগ আন্দোলনৰ আহ্বান কৰিছিল।

গান্ধীজীৰ মতে - ৰাষ্ট্ৰ অহিংসা নীতিৰ দ্বাৰা পৰিচালিত হ'ব লাগে আৰু ৰাষ্ট্ৰই কম পৰিমানেহে শক্তি প্ৰয়োগ কৰিব লাগে। ৰাষ্ট্ৰই বিপ্লৱৰ ক্ষেত্ৰতহে যথেষ্ট পৰিমানে শক্তি প্ৰয়োগ কৰা উচিত। গান্ধীজীয়ে অহিংসা নীতিৰ ভিত্তিত এখন আদৰ্শ ৰাষ্ট্ৰ বা ৰামৰাজ্য গঠনৰ কল্পনা কৰিছিল যি ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰা হ'ব।

গান্ধীজীৰ এই অহিংসা নীতিৰ ধাৰণাটো অপ্ৰাসংগিক আৰু কাল্পনিক বুলিব পৰা নাযায়। বৰ্তমান সময়ত সমাজত যি বিশৃংখলতাই দেখা দিছে তেনে পৰিস্থিতিত গান্ধীজীৰ অহিংসা নীতিটো সম্পূৰ্ণৰূপে মানি চলিব নোৱাৰিলেও ব্যক্তিগত, জাতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত যিমান সম্ভৱ কম শক্তি প্ৰয়োগ কৰা উচিত। কাৰণ তেতিয়াহে পৃথিৱীত শান্তি বিৰাজ কৰিব। অহিংসা নীতি বৰ মূল্যবান আৰু এই নীতিক আন্তৰ্জাতিক ক্ষেত্ৰত শান্তি প্ৰতিষ্ঠাৰ লগতে ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰি তুলিব পৰা যাব।❑

❑ কিতাপ বাচনি কৰাৰ দৰে বন্ধু বাচনি কৰিবা। বাচনিত কম উঠিব পাৰে, কিন্তু বাচনিত ভুল নকৰিবা। এটা ক্ষুদ্ৰ ভুলেই অঘটন ঘটাব পাৰে।

-----------আৰবীয় প্ৰৱচন।

# অসমৰ ৰাজনীতিত মহিলা কিমান দূৰ সফল?

*ৰোহিত শইকীয়া*
*স্নাতক পঞ্চম ষান্মাসিক*

"*বৰ্তমান* ভাৰতৰ ৰাজনীতিত জড়িত থকা জাতীয় কংগ্ৰেছ দলত পুৰুষ মথো এগৰাকীহে তেওঁ ছোনীয়া গান্ধী।" আজিৰ তাৰিখত প্ৰচলিত এই ব্যংগ বাক্যশাৰীক কোনেও এৰাই চলিব নোৱাৰে। বৰ্তমান ভাৰতৰ প্ৰধানমন্ত্ৰী ছোনীয়া গান্ধী নহয় জানো? কিন্তু প্ৰধানমন্ত্ৰী দপ্তৰৰ ৰিম'টটো থাকে এই গৰাকী নাৰীৰে হাতত। তেনেদৰে "পুৰুষৰ লগত নাৰীয়ে খোজ কাঢ়িব নোৱাৰে" কথাষাৰ সমানেই ভুল প্ৰমাণিত হৈছে। দেশ শাসন আৰু ৰাজনীতিৰ কথা ক'বলৈ যাওঁতে আজি নাৰী হৈ পৰিছে এক অন্য বিষয়। পশ্চিমীয়া দেশৰ ক্ষেত্ৰত উদাহৰণ বৰ বিশেষ নহ'লেও এছিয়াৰ বহু দেশৰে শাসনভাৰৰ সৰ্ব্বোচ্চ ক্ষমতা বহু নাৰীৰ হাতত। দেশৰ লগতে ৰাজ্যৰ ৰাজনীতি আৰু শাসকৰ তালিকাটো অতীজৰে পৰা নাৰীৰ নাম লেখত লবলগীয়া।

শীলা দীক্ষিত, জয়াললিতা, মমতা বেনাৰ্জী, মায়াৱতীৰ কথা বাদ দি অসমৰ মহিলা ৰাজনীতিকৰ কথাই চোৱা হওঁক। কেইদিনমানৰ বাবে হ'লেও অসমৰ মুখ্যমন্ত্ৰীৰ পদ অলংকৃত কৰিছিল এগৰাকী নাৰীয়ে। আমাৰ ৰাজ্যত মহিলা ৰাজনীতিকৰ দক্ষতা আৰু সক্ৰিয়তাক লৈ বিতৰ্ক হ'লেও ৰাজ্যখনত মহিলা ৰাজনীতিকৰ এক সু-সমৃদ্ধ ইতিহাস আছে। ১৯৩৭ চনত আমাৰ দেশত এক অন্তঃৱৰ্তীকালীন নিৰ্বাচন অনুষ্ঠিত হৈছিল। সেই নিৰ্বাচনত অসমৰ পৰা কেইবাগৰাকীও নেতাই প্ৰতিদ্বন্দিতা কৰি জয়ী হৈ মন্ত্ৰীসভা গঠন কৰে। সেই নিৰ্বাচনত অবিভক্ত অসমৰ পৰা কেৱল এগৰাকী মহিলাইহে নিৰ্বাচনত জয়ী হয়। এইগৰাকী অসমৰ প্ৰথম মহিলা বিধায়ক 'মাভিচ ডান লিংড'। ১৯৪৬ চনলৈকে অসমত কেৱল মাভিচ ডান লিংড নামৰ মহিলা গৰাকীয়েই বিধায়কৰ পদ অলংকৃত কৰি ৰাখে। ১৯৪৬ চনত অসমৰ ৰাজধানী শ্বিলঙক প্ৰতিনিধিত্ব কৰা আন এগৰাকী মহিলা সদস্য হ'ল বনিলা খংমেন। বনিলা খংমেনেই হ'ল অসম বিধান সভাৰ প্ৰথম গৰাকী মহিলা উপাধ্যক্ষা।

স্বাধীনতাৰ পাছত ১৯৫২ চনত গঠন কৰা অসম বিধান সভাত অন্তৰ্ভূক্তি লাভ কৰা মহিলা গৰাকী হ'ল চামগুৰি সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰা উষা বৰঠাকুৰ। ১৯৫৭ চনত গঠন হোৱা অসমৰ দ্বিতীয়খন বিধান সভাত প্ৰথমবাৰৰ বাবে কেইবা গৰাকীও মহিলা অন্তৰ্ভুক্তি হয়। তেওঁলোক হ'ল - উষা বৰঠাকুৰ, কমল কুমাৰী বৰুৱা, জ্যোস্না চন্দ্ৰ, লিলি সেনগুপ্তা আৰু পদ্মকুমাৰী গোহাঁই। অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত মহিলা সেনানীৰ কথা ক'বলৈ গ'লে চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু পুষ্পলতা দাসক সামৰি নল'লে নহ'ব। বিষ্ণুৰাম মেধিৰ নেতৃত্বত অসম চৰকাৰ থকাৰ সময়ত অসমৰ বিভাজন হয় আৰু অসমৰ পৰা আঁতৰি গৈ অৰুণাচল, মেঘালয়, নাগালেণ্ড আদি নতুন ৰাজ্য গঠন হয়। অসম এখন ক্ষুদ্ৰ ৰাজ্যত পৰিণত হয়। ১৯৭২ চনত অসমত পুনৰ নিৰ্বাচন হয় আৰু এই নিৰ্বাচনত বিধানসভাত সাত গৰাকী মহিলাই 'নতুন মুখ'

হিচাপে ভুমুকি মাৰে। তেওঁলোক হ'ল- আনন্দিৰালা ৰাভা, সত্যৱতী গোস্বামী, ৰেনুকা দেৱী বৰকটকী, স্বৰ্নলতা মহন্ত, ছৈয়দা আনুৱাৰ টাইমূৰ, তৰুলতা বৰা আৰু ৰেৱতী দাস। এওঁলোকৰ ভিতৰৰ ছৈয়দা আনুৱাৰা টাইমূৰ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল। ১৯৮৩ চনত অসমৰ দুগৰাকী মহিলা বিধানসভালৈ নিৰ্বাচিত হৈছিল।

১৯৮৫ চনৰ সাধাৰণ বিধান সভা নিৰ্বাচনত ২৭ গৰাকী মহিলা প্ৰতিদ্বন্দীৰ ৪ গৰাকীয়ে বিজয়ৰ হাঁহি মাৰিবলৈ সক্ষম হয়। তেওঁলোক হ'ল ৰেখাৰানী দাস বড়ো, জ্যোস্না সোনোৱাৰ, কুমাৰী ৰবি দাস আৰু অমীয়া গগৈ।

১৯৮৫ চনৰ পৰা ক্ৰমাগতভাৱে মহিলা ৰাজনীতিকৰ সংখ্যা বাঢ়ি অহা দেখা গৈছে। এওঁলোক হ'ল - প্ৰমিলা ব্ৰহ্ম, ৰূপম কুৰ্মী, অমিয়া গগৈ। অসমৰ ৰাজনৈতিক ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগোৱা নেত্ৰী এগৰাকীৰ নাম হ'ল হেমপ্ৰভা শইকীয়া।

১৯৯৬ চনৰ পৰা বৰ্তমানলৈকে কেইবা গৰাকীও মহিলা ৰাজনীতিকে সক্ৰিয়ভাৱে কাম কৰি যোৱা দেখা গৈছে। তেওঁলোকৰ ভিতৰত অন্যতম হ'ল বিজয়া চক্ৰৱৰ্তী, প্ৰণতি ফুকন, অজন্তা নেওগ, জোনজোনালী বৰুৱা, ববিতা শৰ্মা, জীৱন তাৰা ঘাটোৱাৰ, জয়শ্ৰী মহন্ত, ৰাণী নৰহ ইত্যাদি। ইয়াৰ উপৰিও ৰাজনীতিৰ পথাৰত কেইগৰাকীমান চিনাকি নাম হ'ল- নীলাক্ষী তালুকদাৰ, ৰেজিনা খাতুন, বিস্মীকা দেৱ, মলয়া বৰ্মন।

অনস্বীকাৰ্য্য যে, ৰাজ্যৰ প্ৰতিখন জিলাতে প্ৰতিটো ৰাজনৈতিক দলৰ পাঁচ-ছয় গৰাকীকৈ মহিলা ৰাজনীতিকে কাম কৰি গৈছে। পঞ্চায়ত ব্যৱস্থায়ো শেহতীয়াকৈ বহু মহিলা ৰাজনীতিকৰ সৃষ্টি কৰিছে। অৱশ্যে ৰাজনৈতিক ক্ষেত্ৰখনত তেওঁলোকৰ ভূমিকাৰ ওপৰত আজিয়েই মন্তব্য দিব পৰা নাযায়।

এই আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হৈছে যে ৰাজ্যখনত ক্ৰমাগতভাৱে মহিলা ৰাজনীতিকৰ সংখ্যা বাঢ়িলেও বিধানসভাত মহিলা প্ৰতিনিধিৰ সংখ্যা তুলনামূলক ভাৱে কম। শেহতীয়াকৈ, নিৰ্বাচনৰ অন্তত ৩৩ শতাংশ প্ৰাৰ্থীত্বৰ কথা কৈ চিএঃৰ বাখৰ কৰা দেখা গৈছে। যদিহে এই বিল কাৰ্যকৰী হয় আৰু নাৰীসকল ভৱিষ্যৎ শাসকৰ ৰূপত অৱতীৰ্ণ হ'বলৈ সুবিধা পাই তেন্তে ই হ'ব নাৰীৰ বাবে মংগলজনক।❑

❑ যিজনে নিজৰ বিদ্যাৰ ফল নিজে ভোগ কৰে তেওঁক বিদ্বান বুলিব নোৱাৰি। আচলতে তেওঁ এজন স্বাৰ্থপৰ ব্যক্তিহে।

-----------সৰোজিনী নাইডু।

# ন্যায়িক পুনৰীক্ষণ বা সমীক্ষা

*মুকেশ দলে*
*স্নাতক পঞ্চম ষান্মাসিক*

ভাৰতৰ সংবিধান হৈছে- ৰাষ্ট্ৰৰ সৰ্ব্বোচ্চ আইন। ভাৰতৰ সৰ্ব্বোচ্চ ন্যায়লয়ে সংবিধানৰ ব্যাখ্যা কাৰক আৰু অভিভাৱক হিচাপে দায়িত্ব পালন কৰে। তদুপৰি নাগৰিকৰ মৌলিক অধিকাৰ সমূহৰ সুৰক্ষা প্ৰদান কৰাটোও সৰ্ব্বোচ্চ ন্যায়লয়ৰ আন এক প্ৰধান দায়িত্ব। এই উদ্দেশ্যে সৰ্ব্বোচ্চ আদালতে আইন পালিকা আৰু কাৰ্যপালিকাৰ দ্বাৰা ৰূপায়িত আৰু প্ৰণোদিত বিধি-বিধানসমূহৰ সংবিধানিক বৈধতা নিৰূপন কৰাৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে আৰু এই ক্ষেত্ৰত যদিহে কোনো কাৰ্য বা বিধি অসাংবিধানিক প্ৰমাণিত হয়, তাক নাকচ কৰিব পাৰে। সৰ্ব্বোচ্চ আদালতৰ এই ক্ষমতাকে ন্যায়িক সমীক্ষাৰ ক্ষমতা হিচাপে অভিহিত কৰা হয়। উল্লেখযোগ্য যে - ৰাজ্যিক উচ্চ ন্যায়লয় সমূহেও এই ক্ষমতা উপভোগ কৰিব পাৰে। যদিও তেওঁলোকৰ সিদ্ধান্ত বা ৰায়সমূহক নাকচ কৰা বা সংশোধন কৰাৰ ক্ষমতা সৰ্ব্বোচ্চ ন্যায়লয়ক প্ৰদান কৰা হৈছে। এনেদৰেই ভাৰতবৰ্ষৰ ক্ষেত্ৰত আইন-পালিকা আৰু কাৰ্যপালিকাৰ সকলোধৰণৰ বিধি-বিধান বা নীতি-নিৰ্দেশনাৰ ওপৰত ন্যায়িক সমীক্ষা বা পুনৰীক্ষণৰ সৰ্ব্বোচ্চ ক্ষমতা উচ্চতম ন্যায়লয়ৰ হাতত ন্যস্ত কৰা হৈছে। ❑

❑ দৃঢ় সঙ্কল্প নহ'লে কোনো ভাল কাম কৰা সম্ভৱ নহয়।

-------মহাত্মা গান্ধী।

❑ এই পৃথিৱীখন হ'ল অন্তহীন অনুসন্ধানৰ এখন প্ৰকৃত পঢ়াশালি।

--------মণ্টেইন।

❑ আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছো, কিন্তু ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

——মাৰ্টিন লুথাৰ।

# অপেক্ষা

*মঃ বাহাৰুল ইছলাম*
*স্নাতক প্ৰথম ষাণ্মাসিক*

দেখাত মানুহজনৰ বয়স সত্তৰ বছৰ যেন অনুমান হয়। পিন্ধনত এটা মলিয়ন পাইজামা ............ মুখমণ্ডল দাড়িৰে প্ৰায় সম্পূৰ্ণৰূপে আবৃত ............ চকুৰ তলৰ অংশ ওফন্দি পৰিছে............মুখমণ্ডল লক্ষ্য কৰিলেই দেখা যায় যেন অতীতৰ কোনো কষ্টৰ বাবে তেওঁ তেনে হ'বলৈ ধৰিলে............ ষ্টেচ'নটোৰ বেঞ্চখনৰ এটা কোনত বহি তেওঁ সদায়ে গধূলিৰ ট্ৰেইনখনৰ বাবে অপেক্ষা কৰে। কাষৰ মানুহবোৰে কি কৰে নকৰে তাৰলৈ তেওঁৰ কোনো ভ্ৰুক্ষেপ নাই। তেওঁৰ দৃষ্টি মাত্ৰ এটা দিশত নিবদ্ধ। সময়ত ৰেলখনে দূৰত উকি মাৰে। তেওঁৰ শেঁতা পৰা ওঁঠৰ কিবা প্ৰাপ্তিৰ আশাত ঘপহকৈ থিয় দিয়ে ............ ৰেলখন বৈ যায়। তেওঁ লগে লগে অচিনাকি মুখবোৰৰ পৰা চিনাকি মুখ বিচাৰি ফুৰে। মাজে মাজে চিঞৰে 'বাবা'। তেওঁৰ মাতৰ প্ৰত্যুত্তৰ দিবলৈ কোনো সিমূৰৰ পৰা উত্তৰ ভাঁহি নাহে ............ মানুহৰ দৃষ্টিত তেওঁ হয়তো এজন পাগল বৃদ্ধ। বুজি পাব পৰা জনৰ বাবে তেওঁ হ'ল এজন পাগল দেউতাক। যিজনে সন্তানটিক নিজতকৈও ভাল পাই পেলাইছিল। কিন্তু তেওঁৰ পুত্ৰই তেওঁৰ কথা এবাৰো চিন্তা কৰি নাচালে। পৰীক্ষাত কৃতকাৰ্য্য নোহোৱাৰ বাবে তেওঁৰ পুত্ৰই আত্মহত্যাৰ পথ বাচি লয়। 'বাবা' (সন্তান) কেতিয়াও উভতি নাহে বুলি জানিও তেওঁ সদায় বৈ থাকে ............ হয়তো তেওঁৰ সন্তানটিয়ে আজি তেওঁক দেখিলে কেতিয়াও চুইচাইড নকৰিলহেঁতেন। কিছুমান মানুহ আত্মঘাতী হয়, কিয়নো তেওঁলোকে ভাবে মৃত্যু একমাত্ৰ সহজ উপায় হৈছে কষ্ট নিবাৰণৰ। তেওঁলোকে নাজানে মৃত্যুৰ পিছত তেওঁলোকে নিজৰ লগতে কিমানক মাৰি গুচি যায়............ কিছু সময়ৰ পিছত ষ্টেচ'নটোত শূন্যতাই বিৰাজ কৰে, পিছদিনাৰ দুখৰ ভোক লৈ তেওঁ নিৰাশ মনে আগবাঢ়ি আহে। ❑

# মাদকতা জীৱনৰ অকাল ভয়াবহতা

*তপন নাথ*
*প্ৰাক্তন ছাত্ৰ*

প্ৰায় নিশা ১১ মান বাজিছে। জয়ন্ত পঢ়াৰ টেবুলত মগ্ন, হঠাৎ ভাঁহি অহা এটি কোলাহলৰ শব্দই নিস্তব্ধতা ভঙ্গ কৰিলে। ভাঁহি আহিল মৰিলো ঔ ................ মৰিলো ঔ.......................। অলপ পাছত এটি শিশুৰ সৈতে এগৰাকী নাৰীৰ বিননি।

জয়ন্তই অনুধাৱন কৰিবলৈ চেষ্টা কৰিলে ঘটনাটো ক'ত ঘটিছে। 'অলপ পাছতেই দীপুৰ অশ্লীল শব্দত গাঁৱৰ মানুহ পথলৈ ওলাই আহি দুজন চাৰিজনকৈ গোট হৈ বু-বু-বা-বা কৰিবলৈ লাগিল।' জয়ন্তই বুজিবলৈ বাকী নাথাকিল সেয়া মদাহী দীপুৰ পত্নী মৌচুমীৰ কাতৰ বিননি। জয়ন্তই-পঢ়াৰ টেবুল এৰি বিছনাত বাগৰ মাৰিলে, কিন্তু তাৰ ক'ত টোপনি ধৰে, দীপুৰ ঘৰত যিহে পৰিবেশৰ সৃষ্টি হৈছে। সি এবাৰ বিছনাতে কৈ পেলালে ঐ মদাহী মনে মনে থাক অ'.......।

কিন্তু সকলোবোৰ মিছা। তাৰ কথাবোৰ শুনে কোনে। অতীতৰ কথাবোৰে জয়ন্তক জুমুৰি দি ধৰিলে। দীপু স্কুলত এটা মেধাৱী ছাত্ৰ আছিল যদিও কলেজত শিক্ষকৰ চকুত অবাধ্য হৈ পৰিছিল। সি তেতিয়া জয়ন্তৰ লগত একেলগে পঢ়িছিল। প্ৰতিদিনে এপাকেট চিগাৰেট, শিখৰ খোৱাতো তাৰ অভ্যাস। তাৰ যথেষ্ট বন্ধুবৰ্গ আছিল কাৰণ তাৰ দেউতাক তৰুণ মহাজন আছিল চোৰাং ব্যৱসায়ী আৰু সেই বাবে অজস্ৰ ধন সি ব্যয় কৰিব পাৰিছিল। মাজে সময়ে কলেজত সি পঢ়া সময়তো মদ্যপান কৰি ক্লাচত উপস্থিত হৈছিল।

দ্বাদশ শ্ৰেণীত তাৰ মৌচুমীৰ সৈতে প্ৰেম হৈছিল আৰু স্নাতক প্ৰথম বৰ্ষতেই মাত্ৰ ১৮ বছৰ বয়সতে মৌচুমীক বিয়া কৰাই ঘৰলৈ লৈ আহিছিল। বৰ্তমান জয়ন্ত আৰু দীপুৰ বিস্তৰ পাৰ্থক্য আছে, দীপু হৈছে ছমহীয়া এটি শিশুৰ পিতৃ আৰু জয়ন্ত স্নাতক পঞ্চম ষান্মাসিকৰ অধ্যয়নৰ ছাত্ৰ।

নিশা ক্ৰমান্বয়ে জয়াল হৈ আহিছে, মদৰ নিচাত দীপুৱে মৌচুমীক যথে-মথে মূৰে-গাৰে আক্ৰমন কৰিবলৈ আৰম্ভ কৰিলে। হুলস্থুল ক্ৰমান্বয়ে আকৌ বৃদ্ধি পালে। মৌচুমীয়ে সদায় সহ্য কৰি অহাৰ দৰে নাথাকি গাঁৱৰ মহিলা সমিতিৰ সম্পাদিকা তৰালী বাইদেউৰ সৈতে ততাতৈয়াকৈ ম'বাইল ফোনোৰ কথা-বতৰা পাতিলে। মাক-দেউতাককো দীপুৱে কৰা উদ্ভণ্ডালিৰ কথা ফোনৰ যোগেৰে জনোৱা হ'ল।

"মৌচুমী ভাগি পৰিছে দুখত আৰু দুখতেই যেন কৈ পেলাইছে -

*নিয়তি তুমি নিষ্ঠুৰ নহ'বা,*
*অকালতে হৃদয়ৰ সেউজীয়া পাতবোৰ সৰি*
*যোৱাকৈ.......।*
*হ'লে কি হ'ব বিধাতাক বাধা দিওঁতা আছেইবা*
*কোন।"*

পিছদিনা পুৱা প্ৰায় ৯ বাজিছে। তৰুণ মহাজনৰ চোতাল অসংখ্য মানুহে ভৰি পৰিল। মহিলা সমিতিৰ

আবেদনত উপায়ুক্তসহ সদৰ থানা পুলিচে আহি দীপুক গ্রেপ্তাৰ কৰিলে আৰু সকলোৰে একেমুখে গৰিহণা দিলে দীপুক আৰু মদৰ পিপাসু তৰুণ মহাজনক। কোঠাৰ পৰা ওলাই আহি কনমানি পাহীক দুহাতেৰে সাৱতি ধৰি লৈ নিৰ্যাতিতা মৌচুমীয়ে আউলি বাউলী চুলিৰ সৈতে দৌৰি আহি সোমাই পৰিল দেউতাকৰ বুকুৰ মাজত। দেউতাকো উচুপি উঠিল, উচুপি উঠিল অসংখ্য মহিলা। হুলস্থূলীয়া পৰিবেশ নিৰবতা আৰু অশ্ৰুলৈ পৰিণত হ'ল। মৌচুমীক ক্ষন্তেকৰ বাবেও তাত নাৰাখি দেউতাক নিজ ঘৰলৈ বুলি আগবাঢ়িলে। অকালতে বৃদ্ধা হৈ গ'ল যেন দুটি যুৱক-যুৱতী। নভৱাকৈয়ে আহি পৰিল ভয়াবহতা, মাদক দ্ৰব্যৰ বলী হ'ল দীপু। মিছাতেই নিৰ্যাতিতা হ'ল মৌচুমী। সম্পৰ্ক গঢ়োতেই শেষহৈ গ'ল দুটি জীৱন। ❑

# তোমাৰ অপেক্ষাত

*জুলি বৰা*
*স্নাতক পঞ্চম ষান্মাসিক*

কুঁৱলীৰ ফাকু আঁতৰাই
শীতৰ এন্ধাৰক নেওচি,
কল্পনাৰে আলিঙ্গন কৰিছো
তোমাৰ লগত।
মনৰ শৃংখলাতাৰে স্তব্ধ কৰিব খুজিছো
শৰীৰৰ সিৰা উপসিৰা,
তুমি আহিবা বুলিয়েই
চিকুনাই থৈছো মোৰ পদুলি।
যো-জা কৰিছো সকলোবোৰ
শীতৰ মেলাত লহপহকৈ বাঢ়ি আহিছে,
মোৰ যাত্ৰাৰ ৰং
তুমি আহিবা বাবেই।
দূৰৈত ফেঁচাৰ উৰুলি
জিৰজিৰকৈ মোৰ মনলৈ বৈ আহে
স্নেহৰ এক শিহৰণ,
এক আকাংক্ষিত অপেক্ষা
তোমাৰ যাত্ৰা কালত
আয়তীৰ মংগল উৰুলি
মাহ-হালধীৰে নোৱাই-ধুৱাই
চতিয়াই দিছিল উৰুলিৰে
যাত্ৰা কৰিছো মই তোমালৈ.......
কাৰণ -
মই তোমাৰ অপেক্ষাত..........................❑



# বিদায় বেলাত

*পুপুলি মিলি*
*স্নাতক প্ৰথম ষান্মাসিক*

তুমি বাৰু আমাৰ বিদায়ক্ষণত
কেনেদৰে কটাবা?
হাঁহিৰে নে চকুলোৰে?
হয়তো তুমি কান্দিবা মোক
হেৰুৱাৰ বেজাৰত।
হেৰাই যোৱা আমাৰ অতীতক সুঁৱৰি
মনত অপূৰ্ব হৈ ৰোৱা আশাবোৰৰ বাবে।
মই কি কৰিম?
ময়ো নিৰোপায়
আশা অপূৰ্ণ হোৱাৰ বেজাৰত
মোৰো যে হৃদয় কঁপিব।
তথাপি মই প্ৰাৰ্থনা কৰিম
তোমাৰ সুখৰ বাবে,
তুমিও মোক বিদায় দিবা
অস্তগামী ৰূপালী কিৰণৰ দৰে
মিঠা হাঁহিটিৰ সৈতে॥❑

# জাগৰণ

*তৃষ্ণা গগৈ*

*স্নাতক পঞ্চম ষান্মাসিক*

আপোচ নকৰিবা
শ্বহীদৰ আত্মাই শান্তি নাপাব,
যিহেতু এতিয়া ৰণৰ সময়
প্ৰজ্বলিত শিখাত ঘিউ নাঢালিবা
দপ্ দপ্কৈ জ্বলিব............।
পিছহুঁহকি নাহিবা
মাতৃৰ উকা হৃদয়ে হাঁহাকাৰ কৰিব
ন্যায্য প্ৰাপ্তিৰ বাবে শ্লোগান দিয়া
জনগনে শুনিব ..............।
আমিয়েইটো গঢ়িব লাগিব
সোণৰ, সেউজী অসম,
নীল আকাশৰ গ্ৰহ তৰা নহয় ভাগ্যৰেখা
তেন্তে আপোছ কিহৰ?
পাতি লৈছো কমাৰ শাল
গঢ়ি দিম হাতুৰী,
দা-কোঠাৰ
আপোচ নকৰিবা
যিহেতু ৰণৰ সময়। ❑



# দেৱাংগনা

*ভাগ্যশ্ৰী বৰগোহাঁই*


*স্নাতক পঞ্চম ষান্মাসিক*

দেৱাংগনা তই বীৰাংগনা
উত্তেজিত তোৰ ভাৱনা।
তোৰ স্মৃতিৰ কোঠালিত জিৰাই স্নিগ্ধ আত্মা।
নিষ্প্ৰাণ দেশক প্ৰাণ দি
কৰি থৈ চিৰযুগমীয়া,
নহয় যদিও তই লাচিতৰ জী
ন্যায়ৰ বাবে যুঁজি সকলো বাধা নেওচি।
দেখুওৱাই দে সকলোকে শান্তিৰ সুগম পথ
কৰি থৈ যাবলৈ অসমীয়াক উজ্বল
নহয় যদিও তই মহাত্মাৰ জী
সত্যৰ পথত কেতিয়াও থমকি নৰবি।
অগনন জনতাৰ আশাৰ প্ৰদীপ গছি
নুমাই যাবলৈ কেতিয়াও নিদিবি,
তোৰ তেজেৰে ৰাঙলী হওঁক বসুন্ধৰা
বৈ যাওঁক শান্তিৰ নিজৰা।
নহয় যদিও তই মূলা গাভৰু জী
নিজকে স্বীকৃতি দিবলৈ ভয় নকৰিবি
তোৰ বাবেই গঢ়ি উঠক সোণৰ অসম
নহয় যাতে তাত দুৰ্নীতি, অসত্যৰ আগমন
উজ্বলি উঠ তই ভোটাতৰা হৈ
মোৰ এই কল্পনাৰ জগতত।❑

# বিষাদ

*বৰ্নালী বৰা*
*স্নাতক পঞ্চম ষান্মাসিক*

কুঁৱলীবোৰ কলপাতৰ ঠাৰিৰে
চকুপানীৰ দৰে নামি আহি
বুকুখন তিয়াই পেলাইছে
ৰে'লৰ উকি এটা
কলিজাৰ সুহুৰি এটাৰ নিচিনাকৈ
প্ৰাণৰ কাষতে ৰিঙিয়াই হঠাৎ দূৰণিত নিঃশব্দ হৈ পৰিছে
আঁহো-নাহো কৈ ফাগুনৰ গধূলি এটাই
ক্লান্ত পছোৱা এজাকৰ দৰে
বুকুৰ মাজত
নিদাৰুণ হৈ কৰুণ ঢালিছ
মোৰ চুবুৰীলৈ
নিৰ্মোহ বিষাদ নামিছে।❑



# দহন


*ধৰিত্ৰী ডেকা*
*স্নাতক পঞ্চম ষান্মাসিক*

জীৱনৰ বাটত কেতিয়াবা অভাৱনীয়
কিছু মুহূৰ্তৰ সমাগম ঘটে
ইমান মিঠা সেই মুহূৰ্ত গোটেই জীৱন
স্মৃতিৰ ভৰপকত সেই মুহূৰ্তই সোঁৰৰাই
জীৱনৰ গতিপথৰ কোনোৱা কোনত।
কাৰোবাক লগ পোৱাৰ সাধনা
কাৰোবাক হেৰুৱাৰ দহন,
গতিশীল জীৱনৰ সৈতে আগবাঢ়ে
কাৰ হেপাঁহ জীৱনে কাঢ়িয়াই
কোন সেই চিনাকী
ব্যাকুল জীৱনৰ সৈতে অভিন্ন সেই অনুভৱ,
কিয় জীনৰ বাটত আহি অগাদেৰা কৰে
কোনেওতো নিবিছাৰে
জীৱনৰ সৈতে বিচ্ছেদ ঘটাবলৈ,
কিয় ভাল সেই ক্ষণ,
কি বিছাৰে জীৱনে?
সুদূৰ প্ৰান্তৰত ৰৈ থাকে কোন
কিয় এই কোলাহল?
বিচাৰৰ সিদ্ধান্তত নিশ্চুপ সময়ৰ
হাতৰ পুতলা এই মানৱ জীৱন। ❑

# মোৰ জীৱনৰ সংগ্ৰাম

*ৰাতুল বৰা*
*স্নাতক তৃতীয় যান্মাসিক*

নানা ঘাত-প্ৰতিঘাতেৰে ভৰা মোৰ জীৱন মোৰ জীৱনলৈ
আহিছে বহুতো ভয়ংকৰ ধুমুহা।
যি ধুমুহাই মোক কৰিব বিছাৰিছে নিঃশেষ,
সেই ধুমুহাৰ সৈতে মই হাঁহিছো
কেতিয়াবা সেই ধুমুহাৰ ওচৰত মোৰ হয় জয়
আৰু কেতিয়াবা পৰাজয়।
তথাপিও মই হাৰ মনা নাই
সেই প্ৰচণ্ড ধুমুহাৰ ওচৰত।
সেই ধুমুহাই দিয়ে মোক ............ যন্ত্ৰনা
সেই যন্ত্ৰনা সহ্য কৰিও মই আগবাঢ়িছো সন্মুখলৈ
বুকুত বান্ধিলৈ বহুতো আশা।
আৰু মই নিশ্চিত......................
সেই ভয়ংকৰ ধুমুহাজাক
মোৰ সৈতে যুঁজি..................... এদিন ক্লান্ত হ'ব।❑



# আধৰুৱা জীৱনৰ কবিতা

*বিপুল দত্ত*
*স্নাতক প্ৰথম যান্মাসিক*

তোমাকেই লৈ ৰাচিছিলো মই
মোৰ আধৰুৱা জীৱনৰ কবিতা,
কিয় বাৰু তুমি বুজি নোপোৱা?
তুমি আহিছিলা এদিন
আশাৰ পদুম এপাহী লৈ
সেই পাহী অকালতে মৰহি গ'ল।
সেই ফুলাপাহ আছিল মোৰ জীৱনৰ,
মোৰ প্ৰাণৰ আশাৰ চাকি
কিন্তু সেই ফুলৰ স্পৰ্শতাৰ পৰা বঞ্চিত মই।
তোমাৰ বাৰু মোলৈ
এবাৰো বেয়া নালাগেনে?
কিয় তুমি নিষ্ঠুৰতাৰ পৰিচয় দিলা?
আজি আৰু সেই কবিতা নাই
নাই ফুল পাহীও
আৰু আশাৰ চাকিও নজ্বলে দুনাই।
তুমি গ'লাগৈ -
নিৰ্জনতাত মোক অকলে এৰি
নিভাঁজ প্ৰেমৰ দুচকুত চকুলো বোৱাই।
পাৰিবা জানো হ'ব সুখী
মইহীন জীৱনৰ বাটত
নাখাবানে উজুটি?
নিষ্ঠুৰ ৰাতিৰ বিষাদ,
ঘন-ঘন উশাহ আৰু কেৱল মই
এক প্ৰাণহীন জীৱন্ত মানৱ॥ ❑

# আঘোণ

*দিগন্ত গোহাঁই*
*স্নাতক পঞ্চম ষান্মাসিক*

আঘোণৰ সোণোৱালী ধাননি পথাৰত
পাতনি মেলে নতুনৰ সপোনে।
সপোনে আনে ..................
জীৱনৰ নতুন আশা।
সোণোৱালী পথাৰৰ পকা ধানৰ থোকবোৰে
আগ্ৰহেৰে কয় যেন ..................
পোহৰ প্ৰত্যাশী, আশাৰ বন্তি আছে বৈ
আদৰি নিয়াহি মোক ঘৰলৈ।
সোনগুটি বুটলাৰ হেপাঁহত
দাৱণিৰ দেহত যেন তৰনি নাই।
লাৱণ্য দাৱনিৰ হাতৰ পৰশ পাই
নাচি উঠে ধানৰ থোকবোৰ।
ৰূপহী দাৱনিৰ কাঁচিৰ শব্দৰে
কাণে-কাণে ডেকাবোৰক কয় যেন ................
সোণোৱালী সোণগুটি নিয়াহি
ডাঙৰি তুলি।
আনন্দত নাচি উঠে ডেকাসকল .............
ৰূপহী দাৱনীক চোৱাৰ আশাৰে,
ডাঙৰি কান্ধত তুলি শুনি কৰে
আঘোণৰ সোণোৱালী ধাননি পথাৰে॥ ❑

# আহ্বান


*ৰাহুল কোঁৱৰ*
*স্নাতক তৃতীয় ষান্মাসিক*

মানৱ প্ৰেমৰ গভীৰ প্লাৱন তুমি বৈ আঁহা
ধুই নিয়া কলুষিত মন-প্ৰাণ।
আজি,
কেৱল সজাগতাৰ প্ৰয়োজন,
হওঁক আজি সমাজ সমুজ্বল,
প্ৰকৃত মানৱৰ সান্নিধ্যৰে॥
জ্বলোৱা এগছি দীপ্তি অহিংস ভাৱেৰে
সমাজৰ পৰা কলুষতা, সন্ত্ৰাস দূৰ হ'ব ইচ্ছাৰে
জননী মমতাৰ পৰশ পৰি
হওঁক নৱ-প্ৰজন্মৰ অভ্যুত্থান
হওঁক এক নতুন মহাত্মাৰ মিলন
নতুন প্ৰভাতৰ নতুন সূৰ্যৰ কিৰণেৰে
প্ৰকৃতি জননী হওঁক উৰ্ব্বৰ
সুজলা-সুফলা শস্য শ্যামলাৰে
প্ৰয়োজন পৰিৱৰ্তনৰ আজি যে বৰ প্ৰয়োজন। ❑



# অপেক্ষা

*চন্দ্ৰধৰ পাংগিং*
স্নাতক প্ৰথম ষাণ্মাসিক



মোৰ সীমাহীন হেপাঁহ আছিল
ক্লাচৰ ফাঁকে-ফাঁকে
তোমাৰ সৈতে
অন্তহীন আলাপত ব্যস্ত হোৱাৰ,
হৃদয়ৰ সমস্ত সত্বাৰে
যাচিছিলো তোমাক
মই মোৰ ভালপোৱা
সকলো হেৰুৱাই নিথৰুৱা হৈছিলো
তোমাক দিবলৈ একোৱেই নাছিল।
তুমি বাৰু জানানে বৰষুণৰ সুবাস পালেই
মই তোমাক অনুভৱ কৰোঁ -
মুক্ত আকাশৰ তলত বহিলেই
তোমাৰ স্মৃতিয়ে আমনি কৰে মোক।
আচল প্ৰেমৰ সংজ্ঞা বিচাৰি
আৰু সঁচা প্ৰেমৰ অৰ্থ বিচাৰি
মই দিক-বিদিক হেৰুৱাই পেলাইছিলো,
কাৰণ তুমি মোৰ সঁচা প্ৰেমক নুবুজিলা
তথাপি অপেক্ষা কৰিম
তোমাৰ আগমনলৈ
আৰু ৰৈ থাকিম জীৱনৰ শেষ ক্ষণলৈ
মাথো তোমাৰ অপেক্ষাত
তোমাৰ আপেক্ষাত। ❑


# স্মৃতিৰ ৰেঙনি

*ৰিংকুমনি নাথ*
স্নাতক তৃতীয় ষাণ্মাসিক

এই অকলশৰীয়া আন্ধাৰ কোঠালিত
আজিও মই তোমাৰ অপেক্ষাত
কিজানি বা হঠাতে দেখা
অকণমান পোহৰৰ ৰেঙনি
মোৰ এই শব্দহীনতাৰ বেদনা
অকণমান জেউতিৰ হ'ম জানো গৰা
কোন পথেৰে আহিব
এবোজা আশাৰ টোপাল
তুমি নহ'লেও হেৰুওৱা নাই মই আত্মাবি
তোমাৰ স্মৃতিতেই বিলীন মোৰ এই নিঠৰ
সেউজীয়া প্ৰেমৰ পথাৰখনত আজিও
আছে মোৰ সেই আশাৰ শইচ
শব্দহীন সাম্ৰাজ্যত এতিয়াও উত্তাৰ
আছে মোৰ জীৱনৰ বহু ৰঙীন
তোমাক হয়টো অন্তিম ক্ষণত এবাৰ
অধিকাৰো মই নাপা
তাৰ বাবে মই দায়ী
দায়ী হ'ব মোৰ সেই প্ৰাণহীন হৃদয়ৰ
ৰুণ-জুন শব্দ, যি হয়তো সময়ত নাবাজি
তথাপি আত্মাবিশ্বাসৰ দুৱাৰ
তোমাক সদায়ে স্মৰি
যাচিছোঁ একাজঁলি হিঁয়াভৰা
আন্ধাৰময় জীৱনৰ প্ৰতিচ্ছবি দুচকুত
হৈ জিলিকিছিল যদিও সি
চকুলো হৈ বৈ আহিছে মোৰ জীৱ
উৰুখা পজাঁলৈ

# অপেক্ষা

*চন্দ্ৰধৰ পাংগিং*
*স্নাতক প্ৰথম ষান্মাসিক*



মোৰ সীমাহীন হেপাঁহ আছিল
ক্লাচৰ ফাঁকে-ফাঁকে
তোমাৰ সৈতে
অন্তহীন আলাপত ব্যস্ত হোৱাৰ,
হৃদয়ৰ সমস্ত সত্ত্বাৰে
যাচিছিলো তোমাক
মই মোৰ ভালপোৱা
সকলো হেৰুৱাই নিথৰুৱা হৈছিলো
তোমাক দিবলৈ একোৱেই নাছিল।
তুমি বাৰু জানানে বৰষুণৰ সুবাস পালেই
মই তোমাক অনুভৱ কৰোঁ -
মুক্ত আকাশৰ তলত বহিলেই
তোমাৰ স্মৃতিয়ে আমনি কৰে মোক।
আচল প্ৰেমৰ সংজ্ঞা বিচাৰি
আৰু সঁচা প্ৰেমৰ অৰ্থ বিচাৰি
মই দিক-বিদিক হেৰুৱাই পেলাইছিলো,
কাৰণ তুমি মোৰ সঁচা প্ৰেমক নুবুজিলা
তথাপি অপেক্ষা কৰিম
তোমাৰ আগমনলৈ
আৰু ৰৈ থাকিম জীৱনৰ শেষ ক্ষণলৈ
মাথো তোমাৰ অপেক্ষাত
তোমাৰ আপেক্ষাত। ❑

# স্মৃতিৰ ৰেঙণি

*ৰিংকুমনি নাথ*
*স্নাতক তৃতীয় ষান্মাসিক*


এই অকলশৰীয়া আন্ধাৰ কোঠালিত
আজিও মই তোমাৰ অপেক্ষাত,
কিজানি বা হঠাতে দেখো
অকণমান পোহৰৰ ৰেঙনি
মোৰ এই শব্দহীনতাৰ বেদনাত
অকণমান জেউতিৰ হ'ম জানো গৰাকী
কোন পথেৰে আহিব সেই
এবোজা আশাৰ টোপালাটি।
তুমি নহ'লেও হেৰুওৱা নাই মই আত্মাবিশ্বাস
তোমাৰ স্মৃতিতেই বিলীন মোৰ এই নিঠৰ দেহ,
সেউজীয়া প্ৰেমৰ পথাৰখনত আজিও গজি
আছে মোৰ সেই আশাৰ শইচবোৰ।
শব্দহীন সাম্ৰাজ্যত এতিয়াও উত্ৰাৱল হৈ
আছে মোৰ জীৱনৰ বহু ৰঙীন সপোন,
তোমাক হয়টো অন্তিম ক্ষণত এবাৰ চোৱাৰ
অধিকাৰো মই নাপালো।
তাৰ বাবে মই দায়ী নহয়
দায়ী হ'ব মোৰ সেই প্ৰাণহীন হৃদয়ৰ বেসুৰা
ৰুণ-জুন শব্দ, যি হয়তো সময়ত নাবাজিল।
তথাপি আত্মাবিশ্বাসৰ দুৱাৰ দলিত
তোমাক সদায়ে স্মৰিছোঁ।
যাচিছোঁ একাজঁলি হিঁযাভৰা মৰম
আন্ধাৰময় জীৱনৰ প্ৰতিচ্ছবি দুচকুত কাজল
হৈ জিলিকিছিল যদিও সি আজি
চকুলো হৈ বৈ আহিছে মোৰ জীৱনৰ
উৰুখা পজাঁলৈ। ❑



# লঃ তেঃ কঃ মহাবিদ্যালয়

*দিব্যজ্যোতি বৰা*
*স্নাতক তৃতীয় ষান্মাসিক*

ইমান দুৱাৰ কোনে কাটি দিলে তোমাৰ গাত
ইমান মৰম তোমাৰ মায়াবী ছাঁত,
শাৰী-শাৰী কৃষ্ণচূড়াৰ শুভকামনা তুমি
আমাৰ চহৰখনৰ অভিমান তুমি।
কৃষ্ণচূড়াৰ পাতৰ আৰঁে-আৰঁে ভাঁহি আহে
তেজে তিতা সপোনৰ বাঁহী,
গুচি যাম যেন সোঁৱৰণীৰ ফালে
তুলি আনিম জীয়া বসন্ত।
দুভৰি পিছলে যেন ভালপোৱাৰ গৰাৰে
পখিলাখেদাৰ উলাহত,
লাইব্ৰেৰীৰ কিতাপৰ ফাঁকে ফাঁকে
বিচাৰিম যেন তোমাৰ নীলা আকাশ
হেজাৰ জনৰ হেজাৰ টা সপোন
তোমাৰ নিজানত নিৰ্বাণ প্ৰাপ্তি হ'ল
তুমি যৌৱনৰ জামুৰণীয়া সপোন
প্ৰজ্ঞাৰ প্ৰথম আঁক-বাঁক।
যদি তুমি নাথাকিলাহেঁতেন
যদি তুমি দেখুৱাই নিদিলাহেঁতেন
সন্মুখৰ জ্যোৰ্তিময় বাট।❑



# অগ্নিৰ ডেউকা

*ডলী বৰা*
*স্নাতক তৃতীয় ষান্মাসিক*

"*বাট* চাই থকা বোৰে সেইবোৰহে পায় যিবোৰ চেষ্টা কৰা সকলে এৰি থৈ যায়।" - কথাষাৰ প্ৰয়াত ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামে কৈছিল। শতকোটি ভাৰতীয় চিন্তাক প্ৰভাৱিত কৰিব পৰা এক অসাধাৰণ ব্যক্তিত্ব যাৰ অদম্য দেশপ্ৰেম আৰু কৰ্মসাধনাই কৰিছিল বহুতকে। সেইজনা মহামানৱক আমি হেৰুৱালোঁ ২০১৫ বৰ্ষৰ ২৯ আগষ্ট তাৰিখে।

'মিছাইল' মানৱ হিচাপে খ্যাত ড° কালামৰ জন্ম হয় ১৯৩১ চনৰ ১৫ অক্টোবৰৰ দিনা ভাৰতৰ দক্ষিণত অৱস্থিত তামিলনাডুৰ ৰামেশ্বৰম নামৰ এটা সৰু দ্বীপ নগৰীত।

ড° কালামে ৰামেশ্বৰমৰে এখন প্ৰাথমিক বিদ্যালয়ত তেওঁৰ শিক্ষা জীৱনৰ পাতনি মেলিছিল। ৰামনাথপুৰৰ শ্বাটজ হাইস্কুলত স্কুলীয়া শিক্ষা সাং কৰি ১৯৫০ চনত তেওঁ ইন্টাৰমেডিয়েট পঢ়িবলৈ তিৰুচিৰাপল্লীৰ ছেন্ট জোছেফ কলেজত নাম লগায়। তাৰ পৰা বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ১৯৫৮ চনত ইঞ্জিনীয়াৰিং পঢ়িবলৈ তেওঁ মাদ্ৰাজ ইনষ্টিটিউট টেকন'ল'জিত নাম লগায়। এম.আইটি. ত দ্বিতীয় বৰ্ষত তেওঁ এৰ'নেটিকেল ইঞ্জিনীয়াৰিঙক প্ৰধান বিষয় হিচাপে বাছি লয়। এম. আই টি. ত পঢ়ি থাকোতেই বহুকেইজন পণ্ডিতক লগ পাইছিল। এম.আইটি. ৰ পৰা বাংগালোৰত অৱস্থিত হিন্দুস্থান এৰ'নেটিকছ লিমিটেড (এইচ. এ. এল.) ত প্ৰশিক্ষণ লাভ কৰি ১৯৫৪ চনত এৰ'নাটিকেল ইঞ্জিনীয়াৰ হৈ ওলাই আহে আৰু সেই একেটা বছৰতে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনস্থ কাৰিকৰী বিকাশ আৰু উৎপাদন সঞ্চালকালত জ্যেষ্ঠ বৈজ্ঞানিক সহকাৰী পদত নিযুক্তি লাভ কৰে। এইখিনি সময়তে তেওঁ শব্দতকৈও দ্ৰুতগতি সম্পন্ন লক্ষ্যভেদী বিমান এখনৰ আৰ্হি প্ৰস্তুত কৰি প্ৰশংসা লাভ কৰিবলৈ সফল হয়।

১৯৮২ চনত ভাৰতৰ মিছাইল উন্নয়ন প্ৰকল্পৰ কাম কৰি তেওঁ ইন্টিগ্ৰেটেড গাইডেড মিছাইল ডেভেলপমেন্ট আঁচনিৰ অধীনত 'অগ্নি' আৰু 'পৃথি' মিছাইল উৎক্ষেপন কৰে। ড° কালামৰ তত্ত্বাৱধানতে ১৯৯৮ চনত ভাৰতে এটি পাৰমাণৱিক বোমাৰ পৰীক্ষামূলক বিস্ফোৰণ ঘটায়।

১৯৯৯ চনৰ নৱেম্বৰৰ পৰা ২০০১ চনৰ নৱেম্বৰ মাহলৈ তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মুখ্য বৈজ্ঞানিক পৰামৰ্শদাতা হিচাপে কাম কৰে।

এইজনা মহামানৱক ১৯৯৭ চনত মাতৃভূমিৰ নিৰাপত্তাৰ দিশত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান "ভাৰত ৰত্ন" ৰে সন্মানিত কৰা হয়।

ভাৰত মাতৃৰ এইজনা সু-যোগ্য সন্তান ২০০২ চনৰ ২৫ জুলাই তাৰিখে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈ পাঁচটা বছৰ ৰাষ্ট্ৰৰ মূৰব্বী ৰূপে মাতৃভূমিলৈ সেৱা আগবঢ়ায়।

ড° কালাম আছিল উচ্চ গুণসম্পন্ন এক

ব্যক্তিত্বৰ গৰাকী। আমাৰ দেশৰ ইতিহাসৰ আটাইতকৈ বেয়া দিনবোৰতো তেওঁ নিজকে সংযত কৰি নিজ লক্ষ্যৰ প্ৰতি আগুৱাই গৈছিল। যাৰ ফলস্বৰূপে আমি লাভ কৰিলো এক উজ্বল নক্ষত্ৰ। ড° কালাম কেৱল এজন ৰাজনীতিবিদেই নাছিল তাৰোপৰি তেওঁ একেধাৰে বৈজ্ঞানিক, কবি আৰু সংগীতজ্ঞৰ লগতে এজন সাহিত্যৰ সাধকো আছিল। তেওঁ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবে তেওঁ দেশৰ নৱ-প্ৰজন্মক লৈ সপোন দেখিছিল। কাৰণ আজি শিক্ষিত প্ৰজন্মই কালিলৈ সমাজৰ অংশ হৈ দেশ তথা জাতিক উন্নত কৰি তোলাত অৰিহণা যোগাব পাৰে। তেওঁৰ এই সপোন বাস্তৱায়িত কৰি তোলাই আমাৰ তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলী হ'ব। ড° আব্দুল কালাম আৰু তেখেতৰ মহান সৃষ্টিৰাজি অনন্ত কাললৈ সকলোৰে বাবে প্ৰেৰণাৰ সুঁতি হৈ ৰয় যেন। ❑



# "বাস্তৱ সমাজৰ চিত্ৰ"

বৰ্ণালী বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক

*আমাৰ* সমাজ ব্যৱস্থাত সচৰাচৰ কিছুমান ভুল প্ৰত্যক্ষ কৰি আহিছো। উদাহৰণস্বৰূপে ওচৰ-চুবুৰীয়া বা অন্য কোনো ব্যক্তি ঘৰলৈ আহিলে নানাধৰণৰ আলোচনাৰ সময়ত ঘৰৰ সৰু ল'ৰা-ছোৱালীয়ে জ্যেষ্ঠসকলৰ সৈতে সমানে বহি অংশীদাৰ হয়। সাধাৰণতে আমাৰ সমাজত প্ৰায়ে বেলেগৰ দোষ-ত্ৰুটি খুচৰি ফুৰা অভ্যাস সৰ্বজন বিদিত। কিছুমান মাক-দেউতাকে ল'ৰা-ছোৱালীক পঢ়িবলৈ কৈ হয় বাহিৰত চুবুৰীয়াৰ লগত পৰচৰ্চা কৰিব নহয় টি.ভি.ৰ ভলিয়ম বঢ়াই লৈ নিজে উপভোগ কৰিব। কিন্তু তাৰ পৰিৱৰ্তে যদি সন্তানৰ পঢ়া টেবুলৰ কাষত বহি সময় অতিবাহিত কৰে তেতিয়া বৰ্তমান ছাত্ৰ সমাজে ম'বাইল, ফেচবুক, ৱাটচ্এপ আদিৰ প্ৰভাৱৰ পৰা আঁতৰি থাকিবলৈ অলপ হ'লেও যত্ন কৰিব। গ্ৰাম্যাঞ্চলত বহুতো মাক-দেউতাকে ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠোৱাতকৈ ঘৰৰ কৃষি কৰ্মত নিয়োজিত কৰে। তেওঁলোকৰ অভিমত এইয়ে যে, পঢ়ি-শুনি কেইজন মানুহ ডাঙৰ হৈছে। প্ৰকৃতাৰ্থত আমাৰ সমাজত প্ৰচলিত এই কু-সংস্কাৰবোৰ আঁতৰ কৰিবৰ সময় হ'ল। অন্যথা আমি এদিন নিজেই হেৰাই যাম।

বৰ্তমান সমাজত এফালে মূল্যবোধৰ অৱক্ষয়, যুৱ উশৃংখলতা, সন্ত্ৰাস, নাৰী নিৰ্যাতন, লুন্ঠন, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, সস্তীয়া উপভোগ আদিৰ দৰে পাশৱিক সমস্যাবোৰে জীৱনৰ প্ৰত্যেক খোজতে সমাজখনক কাঠফুলাৰ দৰে গ্ৰাস কৰি আৰু ৰঘুমলাৰ দৰে চানি ধৰি গোটেই সমাজখনক কলুষিত কৰি তুলিছে। সাম্প্ৰতিক সময়ছোৱাত প্ৰতিটো ক্ষণ আমাৰ বাবে হৈ পৰিছে দুৰ্বিসহ। আধুনিকতাৰ কবলত পৰি মানুহ হৈ পৰিছে স্বাৰ্থান্বেষী, মানৱীয় আবেগ-অনুভূতিবোৰ যেন মৰহি শুকাই যাবলৈ আৰম্ভ কৰিছে আৰু সংস্কৃতিৰ নামত অপসংস্কৃতিয়ে গ্ৰাস কৰিছে।

আমিসৱে বৰ্তমান নিজ কৰ্তব্যৰ পৰা ফালৰি কাটি আহি নামি পৰিছো এক এঘোষিত প্ৰতিযোগিতাত। শিক্ষা অৰ্জনৰ নামত সৰহ নম্বৰ গোটাই কেৱল পৰীক্ষাত বিশেষ-বিশেষ স্থান দখল কৰি ভৱিষ্যতে ডাক্তৰ, ইঞ্জিনীয়াৰ নতুবা বিষয়া হোৱা, বিলাসী গাড়ী, প্ৰামাদোপম ঘৰ, বেংক বেলেঞ্চ ইত্যাদিৰ ভোগত মনোনিবেশ কৰিছো। তাৰ উপৰিও কিছুমান শিক্ষাৰ্থীয়ে অভিভাৱকক প্ৰৰোচনা কৰি বাইক, ম'বাইল দাবী কৰিছে। কেৱল আমিবোৰ নিজক লৈ ব্যস্ত, এয়াই জানো শিক্ষাৰ প্ৰকৃত অৰ্থ। আমিবোৰ জানো প্ৰকৃততে শিক্ষাৰ্থী?

শেষত আমি নিজকে বা জাতিটোক আৰু দেশখনক আগবঢ়াই নিবলৈ হ'লে সূক্ষ্ম পৰিধিৰ মাজৰ পৰা ওলাই আহি নিজৰ কৰ্তব্যৰ প্ৰতি অধিক সচেতন হৈ আৰু লগতে সমাজ জীৱনৰ প্ৰতি পালন কৰিবলগীয়া দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিব পাৰিলেহে অনাগত সময়ছোৱাত উন্নতিৰ এখন বাস্তৱ ছবি প্ৰতিফলিত হ'ব।□

# উচ্ছৃংখল যুৱ মানসিকতা

*ধৰিত্ৰী ডেকা*
*স্নাতক পঞ্চম ষান্মাসিক*

*সাম্প্ৰদায়িক* সময়ত আমাৰ সমাজখনত দেখা দিয়া জ্বলন্ত সমস্যা সমূহৰ ভিতৰত উচ্ছৃংখল যুৱ মানসিকতা অন্যতম। কোনো এখন দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে ঘাইকৈ দেশখনৰ যুৱ চামটোৰ ওপৰতেই। যুৱ-শক্তি এক বৃহৎ শক্তি। এখন দেশৰ যুৱক-যুৱতীসকলে সেই দেশখনৰ বা সমাজখনৰ অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন দিশত বিশেষ ভূমিকা পালন কৰে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে, যুৱক-যুৱতীসকলেই একোখন আদৰ্শ দেশৰ উন্নতিৰ চাবিকাঠি। কিন্তু সম্প্ৰতি আমাৰ দেশৰ যুৱ সমাজে ভৱিষ্যৎ সম্পৰ্কে সচেতন মহলক যথেষ্ট হতাশাত ভোগাইছে। কাৰণ আজিৰ যুৱ মানসিকতাই কিছুদিন ধৰি সমাজখনত যথেষ্ট পৰিৱৰ্তনৰ লগতে ক্ষতিসাধন কৰিছে। আধুনিক ভোগ সৰ্বস্ব জীৱনৰ ধামখুমীয়াত আৰু গোলকীকৰণৰ যুগৰ গইনা লৈ পশ্চিমীয়া সংস্কৃতিৰ আদৱ-কায়দাত এচাম যুৱক-যুৱতী উন্মুক্ত আৰু আত্ম-নিয়ন্ত্ৰণহীন হৈ পৰিছে। পুৱা বাতৰি কাকতখন মেলি ল'লেই দেখিবলৈ পাওঁ কেউফালে কেৱল হত্যা, ধৰ্ষণ, লুণ্ঠন, অপহৰণ, বোমা বিস্ফোৰণ আদি বিভিন্ন ধৰণৰ ঘটনা আৰু এনেধৰণৰ অপৰাধমূলক ঘটনাৰ লগত জড়িত সৰহ সংখ্যকেই কম বয়সৰ যুৱক-যুৱতী। কিন্তু এই যুৱক-যুৱতীসকলে কিয় এনে অপৰাধমূলক কাৰ্যত জড়িত হৈ পৰিছে।

বৰ্তমান যুৱক-যুৱতী সকলৰ উচ্ছৃংখল মানসিকতাৰ কাৰণ হিচাপে প্ৰথমেই ঘৰুৱা আৰু সামজিক পৰিবেশক জগৰীয়া কৰিব পাৰো। ঘৰুৱা বা সামাজিক পৰিবেশ অসুস্থ হ'লে এনে পৰিবেশৰ কু-প্ৰভাৱ উঠি অহা যুৱ চামৰ ওপৰতো পৰাটো নিশ্চিত। দৰিদ্ৰতা, নিৰক্ষৰতা, পিতৃ-মাতৃৰ উচ্ছৃংখল জীৱন, ঘৰত শাসনৰ অভাৱ বা অতিমাত্ৰা শাসন, ঘৰুৱা মৰম-চেনেহৰ ভাৱ আদি কাৰণৰ হেতুকে যুৱক-যুৱতীসকল আবেগিক আৰু মানসিক সংঘাতত ভোগে আৰু ক্ৰমান্বয়ে মনৰ স্থিৰতা হেৰুৱাই বিভিন্ন অসামাজিক বা অপৰাধমূলক কামত লিপ্ত হয়। গতিকে আমি প্ৰত্যেকেই উপলব্ধি কৰা উচিত যে, এক সুস্থ সামাজিক পৰিবেশেহে এক আদৰ্শবান যুৱ সমাজৰ সৃষ্টি কৰিব পাৰে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নতুন নতুন চমক পদ আৱিষ্কাৰে মানুহক সকলো দিশত আগবঢ়াই লৈ গৈছে যদিও কিছুমান ক্ষেত্ৰত ইয়াৰ অপ্ৰপ্ৰয়োগে নৱ-প্ৰজন্মক ক্ষতিসাধন কৰিছে। যুৱক-যুৱতীসকলে আৱিষ্কাৰ সমূহৰ ঋণাত্মকখিনিহে বেছি ব্যৱহাৰ কৰে। যাৰ ফলত নৱ-প্ৰজন্মৰ মানসিকতাক এক প্ৰকাৰৰ যান্ত্ৰিক কৰি তুলিছে।

উচ্ছৃংশল যুৱ মানসিকতাৰ বাবে পশ্চিমীয়া অপসংস্কৃতিৰ প্ৰভাৱকো কিছু পৰিমাণে জগৰীয়া কৰিব পাৰো। টি. ভি. ৰ যোগে প্ৰচাৰিত পশ্চিমীয়া দেশ-বিদেশৰ অনুষ্ঠান, এডাল্ট ফিল্ম, পুৰুষ-নাৰীৰ নগ্ন, অৰ্ধনগ্ন নৃত্য-সমগীত আদিৰ প্ৰতি সৰহ সংখ্যক যুৱক-যুৱতীৰে এক

বিশেষ দুৰ্বলতা আছে। যাৰ অনুকৰণত সৰু-বৰ চহৰবোৰত গঢ়ি উঠিছে নাইট ক্লাব, ডিস্ক'বাৰ, ৰেইন ডান্স আদি ধৰণৰ সংস্কৃতি। বৰ্তমান এনে সংস্কৃতিৰ প্ৰয়োভৰ দেখিলে সভ্য মানৱ সমাজ যেন আজি পশুতকৈ অধম স্থানলৈ গতি কৰিছে তাক বোধ হয়।

বৰ্তমান সময়ত যুৱ সমাজলৈ বিষবাষ্প কঢ়িয়াই অনাত অৰিহণা যোগোৱা এটা উপাদান হ'ল মাদক দ্ৰব্য। য'তে-ত'তে গঢ়ি উঠিছে সৰু-বৰ মদৰ দোকান, বাৰ, গুটখা, ভাং, চিগাৰেট, চাধা আদি বিক্ৰী কৰা দোকানসমূহ। যুৱক-যুৱতীসকলে সহজতে এই সমূহ সেৱন কৰি ধন সম্পত্তি, স্বাস্থ্যহানি কৰাৰ লগতে পৰিয়াল আৰু সমাজৰ শান্তি বিনষ্ট কৰাৰ উদাহৰণ সততে ঘটি থাকে।

উচ্ছৃংখল মানসিকতাৰ গঢ়ি উঠাৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা কাৰক সমূহ আলোচনা কৰিলে দেখা যায় যে সমাজ আৰু জাতি ধ্বংসী কাৰ্যত এই কাৰক সমূহে চহৰে নগৰে কাঠফুলাৰ দৰে গঢ়ি উঠিছে। আৰু এটা এটাকৈ সকলো যুৱক-যুৱতীকে মেৰিয়াই ধৰিছে।

গতিকে যুৱ উচ্ছৃংখলতা নিৰাময় কৰিবৰ বাবে প্ৰথমেই কাৰক সমূহৰ সমাধান বিচাৰি উলিয়াব লাগিব আৰু ইয়াক নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থাও কৰিব লাগিব। সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, বেচৰকাৰী সংস্থা, সম্প্ৰদায়, ঘৰৰ অভিভাৱক সকলেও বিভিন্নধৰণৰ পদক্ষেপ হাতত ল'ব লাগিব।

যুৱচামক সু-শিক্ষাৰে শৃংখলিত কৰি ৰাখিব পাৰিলেহে দেশৰ ভৱিষ্যৎ বিকাশ সম্ভৱ হ'ব। আজিৰ যুৱ-প্ৰজন্মই অৰ্থাৎ আমি ছাত্ৰ-ছাত্ৰী সকলে মাৰ্ক্স, এঞ্জেলছ, ৱৰ্ডচ্‌ৱৰ্থ, শেক্সপীয়েৰ, আব্ৰাহাম লিংকন, মহাত্মা গান্ধী, ৰাধাকৃষ্ণন, আইনষ্টাইন আদি মহানসকলৰ জীৱনী জনাটো অতিকৈ প্ৰয়োজন।

উচ্ছৃংখল যুৱ মানসিকতা দূৰিকৰণৰ বাবে আমি সকলো একগোট হৈ এক সুস্থ সামাজিক, ৰাজনৈতিক অৰ্থনৈতিক পৰিৱেশ সৃষ্টিৰ বাবে চেষ্টা কৰিব লাগিব।

# নৱ প্ৰজন্ম আৰু বৰ্তমান সময়

*কল্যাণ শইকীয়া*
*স্নাতক প্ৰথম ষান্মাসিক*

***বৰ্তমানৰ*** যুগটোক বিজ্ঞানৰ যুগ বুলি কোৱা হয়। বৰ্তমান সকলো ক্ষেত্ৰতে প্ৰতিযোগিতা হৈছে কিন্তু সকলো ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাৰ লগত আগবাঢ়ি যাব পৰা নাই। বাৰ-তেৰ বছৰৰ পৰা ওঠৰ-বিশ বছৰ বয়সলৈকে এই সমছোৱাই হৈছে জীৱনটোক গঢ় দিয়াৰ মূল সময়। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনটো গঢ়ি তোলাই হৈছে মূল কাম। এই ছাত্ৰ কালছোৱা গুচি গ'লে আকৌ কেতিয়াও ঘূৰি নাহে। এই সময়ছোৱাতে আমি আমাৰ চৰিত্ৰ গঠন কৰি ল'ব লাগে।

বৰ্তমান বিজ্ঞানৰ যুগত প্ৰযুক্তিবিদ্যাৰ দ্বাৰা বিভিন্ন ৱেবছাইট, ছ'ছিয়েল নেট্‌ৱৰ্কিং ছাইট আদিয়ে নৱ প্ৰজন্মক অধিক আকৰ্ষিত কৰিছে। এইবোৰৰ প্ৰতি নৱ প্ৰজন্ম অধিক আকৰ্ষিত হোৱাৰ বাবে নিজৰ পাঠ্য-পুথিৰ পৰা এৰাই চলিছে, কিন্তু ইয়াৰ দ্বাৰা আমাৰ পতন হোৱা দেখা গৈছে। ছাত্ৰ-ছাত্ৰীসকলে খেল পথাৰ বা অন্য ঠাইত খেলা-ধূলা নকৰি ভিডিঅ' গেমছ্, ফেচবুক, ৱাটচ্‌এপ আদিত নিজৰ অতি প্ৰয়োজনীয় সময় খৰছ কৰে। ফলত তেওঁলোক শাৰীৰিকভাৱে অতি দুৰ্বল হৈ পৰিছে।

বৰ্তমান সময়ত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ প্ৰতি আওকাণ কৰি মনোৰঞ্জনৰ অনুষ্ঠান বিলাক লৈ সময় কটায়। ছাত্ৰ-ছাত্ৰী অৰ্থাৎ আমি দেশৰ সম্পদ। আমি আজৰি সময়ত বিভিন্নধৰণৰ গ্ৰন্থ, আলোচনী আদি পঢ়া উচিত। অবাবত সময় ব্যয় কৰিব নালাগে। আমাৰ এই সময়ছোৱা সোণালী সময়। ছাত্ৰ জীৱনৰ এই মূল্যৱান সময়ছোৱাৰ উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰিলেহে আমি এক সোণোৱালী ভৱিষ্যতৰ দিশে আগবাঢ়ি যাব পাৰিম।❑

# ‘‘ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট আৰু যুৱপ্ৰজন্ম’’

*সমীৰণ দাস*
*স্নাতক পঞ্চম ষান্মাসিক (সাধাৰণ)*

বৰ্তমান তথ্য প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে সমগ্ৰ বিশ্বখনকে এখন গাঁৱলৈ পৰ্য্যবসিত কৰাৰ লগতে যোগাযোগ ক্ষেত্ৰখনতও বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছে। ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট, টুইটাৰ, ৱাটচ্‌আপ, ফেচ্‌বুক ইত্যাদি মাধ্যমসমূহে সাম্প্ৰতিক সময়ত যুৱ-প্ৰজন্মৰ মাজত বিশেষভাৱে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট সমূহৰ ইতিবাচক আৰু নেতিবাচক দুয়োটাৰে প্ৰভাৱ যুৱ-প্ৰজন্মৰ ওপৰত বিস্তাৰিতভাৱে দেখা পোৱা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ফেচ্‌বুক ব্যৱহাৰকাৰীৰ ৯০ শতাংশই হৈছে হাইস্কুলৰ পৰা বিশ্ববিদ্যালয়ৰ যুৱক-যুৱতী। কোৱা বাহুল্য যে, ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট ফেচ্‌বুক, টুইটাৰ ইত্যাদি মাধ্যমসূহৰ যিমান ইতিবাচক দিশ আছে সেইয়া মুঠেই আঙুলিৰ মূৰত গণিব পাৰি। ইয়াৰ ভিৰতৰ কিছু সংখ্যক যুৱ-প্ৰজন্মই নিজৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰ আহিলা স্বৰূপে ফেচ্‌বুকক এখন মঞ্চ হিচাপে গ্ৰহণ কৰা দৃষ্টিগোচৰ হয়। কিন্তু ইয়াৰ বিপৰীতে বৃহৎ সংখ্যক নেতিবাচক প্ৰভাৱেৰে এই মাধ্যমসমূহ বৰ্তমান যুৱ-প্ৰজন্মৰ বাবে দুৰ্বিসহ অভিশাপ স্বৰূপেহে চিহ্নিত হৈছে। কাৰণ আজিৰ যুৱ-প্ৰজন্মই ঋণাত্মক দিশসমূহৰ প্ৰতিহে বেছিকৈ আসক্ত হোৱাৰ ফলত চাৰিত্ৰিকভাৱে আৰু নৈতিকভাৱেও অধঃপতিত হৈছে। প্ৰাপ্ত তথ্যমতে, বিশ্বত প্ৰতি ৪০ মিনিটত ফেচ্‌বুকৰ বাবে এটাকৈ জঘন্য অপৰাধ সংঘটিত হৈ আছে। আজিৰ যুৱ-প্ৰজন্মই ফেচ্‌বুক, টুইটাৰ, ৱাটচ্‌আপত ব্যস্ত থাকি নিজৰ ছাত্ৰজীৱনৰ বহুমূলীয়া সময় অপচয় কৰাৰ ফলস্বৰূপে পঢ়া-শুনাত ব্যাঘাত জন্মিছে আৰু বুজন সংখ্যক কিশোৰ-কিশোৰীয়ে জীৱন গঢ়াৰ বাট হেৰুৱাই পেলাইছে। ইয়াৰ উপৰিও যুৱ-প্ৰজন্মৰ মাজত অপৰাধ প্ৰৱণতা, মাদকদ্ৰব্য সেৱন, অশ্লীল ফটো চোৱা ইত্যাদি ব্যাধি সমূহৰ বৃদ্ধিত ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট সমূহে বিপুল ইন্ধন যোগাই আহিছে।

অৱশ্যে যদিও ছ’চিয়েল্ নেট্‌ৱৰ্কিং ছাইট সমূহৰ নেতিবাচক দিশ বিদ্যমান তথাপি ইতিবাচক দৃষ্টিকোণৰ পৰা এই মাধ্যমসূহৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। আজিৰ যুৱ-প্ৰজন্মই এই মাধ্যমসমূহৰ ধনাত্মক দিশসমূহ বাচি লোৱাৰ সময় সমাগত। কাৰণ এই মাধ্যমসমূহ অতি সচেতন আৰু সংবেদনশীল হৈ ব্যৱহাৰ কৰিলে ইয়াৰ পৰাও যথেষ্ট উপকৃত হ’ব পৰা যাব। ❑

# বৃহৎ নদীবান্ধ

*মোহন গগৈ*
*স্নাতক তৃতীয় ষান্মাসিক*

অসমৰ অসংখ্য জ্বলন্ত সমস্যাৰ ভিতৰত আটাইতকৈ অগ্ৰাধিকাৰ লাভ কৰা সমস্যাটো হৈছে - বৃহৎ নদীবান্ধৰ সমস্যা। আজি অসমৰ লখিমপুৰ জিলাত হাজাৰ হাজাৰ দেশপ্ৰেমিক আৱাল-বৃদ্ধ বনিতাই যি জীয়াতু ভুগিছে, সেই দৃশ্য অতি হৃদয়বিদাৰক, নিদাৰুণ। পুহমহীয়া হাড়-কঁপোৱা জাৰকো নেওচি অহৰ্নিশে নদীবান্ধৰ বাবে নিয়া সামগ্ৰীৰে ভৰা ট্ৰাকৰ গতি প্ৰতিৰোধ কৰি যি নজিৰবিহীন দেশ প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে, সেই দৃশ্য দেখি পাষান হৃদয়তো আঘাট কৰিছে। কিন্তু অলৰ-অচল হৈ আছে- অসমীয়া। দেশক ৰক্ষা কৰিবলৈ প্ৰতিনিধি হিচাপে বাছি পঠিওৱা ব্যক্তিসকল। কেনেধৰণৰ বশীকৰণ মন্ত্ৰৰে এই প্ৰতিনিধিসকলক বশ কৰিছে তাক বুজা অত্যন্ত কঠিন হৈ পৰিছে আমাৰ বাবে।

নদীবান্ধ সম্পৰ্কত কেনেধৰণৰ সুবিধা হ'ব বা কেনে ধৰণৰ বিপদ হ'ব, সেই সম্পৰ্কে চালি-জাৰি চাবলৈ বিশেষলোকেৰে চৰকাৰে বিশেষজ্ঞ সমিতি গঠন কৰি দিছিল আৰু ওৰে জীৱন বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অধ্যয়নেৰে নিজকে একোগৰাকী বিশেষজ্ঞ হিচাপে গঢ়ি তোলা সেই বিশেষজ্ঞ সমিতিৰ সদস্যসকলেই স্পষ্ট অভিমত দি নদীবান্ধৰ পৰা হ'ব পৰা বিপদৰ বিষয়ে প্ৰতিবেদন দিয়াৰ পিছত কিহৰ স্বাৰ্থত চৰকাৰে অটল হৈ নদীবান্ধ নিৰ্মাণৰ সপক্ষে মাত মাতি আহিছে, সেয়া সহজ-সৰল মানুহৰ বাবে দুৰ্বোধ্য সাঁথৰ।

কিন্তু এটা কথা সকলোৰে বোধগম্য যে দেশক বিজুলী শক্তি লাগে আৰু সেই বিজুলী শক্তি উৎপাদনৰ বাবে অসমৰ গেৰুকামুখ আটাইতকৈ উৎকৃষ্ট স্থান। সেই কথা জনাৰ পিছত কেন্দ্ৰীয় চৰকাৰক আৰু কোনে পায়। কেন্দ্ৰীয় চৰকাৰক অসমৰ সকলো সম্পদৰ ওপৰত ভোগ কৰিবলৈ দিব লাগে। অসমৰ মানুহক যিকোনো প্ৰকাৰে মষিমূৰ কৰি হ'লেও সকলো সম্পদ লাগে। গতিকে আঁকোৰগোজ হৈ লাগি গ'ল - গেৰুকামুখত বৃহৎ নদীবান্ধ দিবলৈ। তাৰ পৰা সৃষ্টি হোৱা বিজুলী শক্তি অলপমান অসমকো দিব। কিন্তু বাকীখিনি লৈ গৈ দিল্লী-মুম্বাইক জিলিকাই তুলিব। এয়া আজিৰ কথা নহয়। ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰাই এই কটু-কৌশল চলি আহিছে আৰু আমাৰ বিয়াগোম নেতাসকলে শৰাইঘাট দলঙৰ ইপাৰে দপ-দপাই থাকি সিপাৰ হ'লেই "হয় হুজুৰ" উচ্চাৰণ কৰি শান্ত-শিষ্ট হৈ থাকি যি কয় তাতে হয়ভৰ দি গুচি আহে। নিজৰ মানুহবোৰৰ বিপদ অৱশ্যম্ভাৱী বুলি জানিও নিমাতে ৰয়। ❑

# ড° মামনি ৰয়ছম গোস্বামীৰ "তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা"

*লক্ষ্যজিত দত্ত*
*স্নাতক পঞ্চম ষান্মাসিক*

ড° মামনি ৰয়চম গোস্বামীৰ প্ৰখ্যাত উপন্যাস সমূহৰ ভিতৰত তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা অন্যতম। উপন্যাসখন ৰচিত হৈছিল ১৯৮৪ চনত। দিল্লীৰ ৰাজনৈতিক পটভূমিত সংঘটিত গণহত্যাৰ ওপৰত ভিত্তি কৰি নৰহত্যাৰ কাৰুণ্য ভৰা বিননি উপন্যাসখনৰ ভাৰবস্তু।

এই উপন্যাসখনত হত্যা আৰু ধ্বংসলীলাৰ কথা বৰ্ণিত হৈছে যদিও ইয়াত শিখ আৰু হিন্দুৰ মাজত একতাৰ ডোলেৰে বান্ধ খোৱা এক প্ৰেমৰ কথাও বৰ্ণিত হৈছে। উপন্যাসখনৰ মূল চৰিত্ৰ হ'ল সন্তোষ সিং। উপন্যাসখনৰ আৰম্ভণিতে দিল্লীৰ ভয়াবহ দিনৰ কথা কোৱা হৈছে। সন্তোষ সিং নামৰ অট'ৰিক্সা চালকজনৰ সহায়ত লেখিকাই দিল্লীৰ জীৱনৰ এক বিশেষ ছবি আহৰণ কৰিবলৈ সক্ষম হয়। সমগ্ৰ উপন্যাসখনতে খণ্ড-বিখণ্ড কেতবোৰ কৰুণ ছবি অংকিত হৈছে। উপন্যাসখনৰ কেতবোৰ বৰ্ণনাই গাৰ নোম শিয়ঁৰাই তোলে।

উপন্যাসখনত সন্তোষ সিঙৰ উপৰি অন্যান্য চৰিত্ৰ সমূহেও বিশেষ-বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃততে উপন্যাসিকে পৰিবেশ আৰু পৰিস্থিতিৰ বৰ্ণনাতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। দিল্লী মহানগৰীৰ আলিয়ে-গলিয়ে বিভিন্ন ঘটনা সংঘটিত হয়। সৰ্বসাধাৰণ মানুহৰ জীৱন প্ৰবাহৰ এক বাস্তৱ ছবি উপন্যাসিকাই সুন্দৰভাৱে ফুতাই তুলিছে। হত্যাকাণ্ডৰ অমানবীয় লুণ্ঠনৰ বিভীষিকাময় ৰূপ, তেজেৰে ক্ষত-বিক্ষত মৃত দেহ আদিৰ বৰ্ণনাত উপন্যাসিকাই বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিছে।

উপন্যাসখনত ৰিগোভিয়াৰ নাগিৰালা নামৰ আ[...] এটি বিশেষ চৰিত্ৰও উপস্থাপন কৰা হৈছে। ফকৰুদ্দি[...] উপন্যাসখনৰ আন এটি চৰিত্ৰ। উপন্যাসখনৰ ভা[...] সাধাৰণতে বৰ্ণনাত্মক উপন্যাসৰ দৰে নহয়। মাজে-মাজে কবিতা, মাজে-মাজে শ্বায়েৰী আৰু মাজে-মাজে হিন্দী ভাষাৰ কথোপকথন পোৱা গৈছে। বিক্ষিপ্ত ঘটনাৰ বৰ্ণনা থাকিলেও উপন্যাসখনৰ বক্তব্য এটাই - সেইয়া হ'[...] হিংসা, সন্ত্ৰাস আৰু লুণ্ঠনৰ বিপৰীতে শান্তি আৰু প্ৰেম[...] বাণী কঢ়িয়াই অনা। উল্লেখযোগ্য কথা যে, উপন্যাস[...] ধূলিৰে ধূসৰিত পৃষ্ঠাৰ বৰ্ণনাত লেখিকাৰ বিভিন্ন সময়[...] বিভিন্ন চৰিত্ৰবোৰৰ লগত এক নিবিৰ সম্পৰ্ক স্থাপি[...] হৈছে। জীৱনত বিভিন্ন সময়ত মানুহে বিভিন্ন লোক[...] সান্নিধ্য লাভ কৰে আৰু সম্পৰ্ক স্থাপিত হয়। কেতিয়াব[...] সুখ, কেতিয়াবা দুখ, কেতিয়াবা দেশ বা পৰিস্থিতিৰ বাৰ্তা[...] বিভিন্ন জনৰ পৰা পোৱা যায়। এই উপন্যাসখনত কেৱল দিল্লী বা পঞ্জাৱ আদি ঠাইৰ বৰ্ণনাই উপন্যাসখনৰ প্ৰধান উপজীব্য বিষয় যেন লাগিলেও আন এক বাৰ্তাও [...] প্ৰেৰণ কৰিছে। সি হ'ল হৃদয়ৰ সংবাদ। মানুহ যিমানে[...] হিংস্ৰ নহওঁক কিয়, যিমানেই দুৰ্গন্ধময় জীৱনৰ কলুষতা[...] মানুহক স্পৰ্শ নকৰক কিয়, কেৱল প্ৰেম আৰু শান্তিয়ে[...] জীৱন সংস্থাপন কৰিব পাৰে। বহু অভিজ্ঞতা সমৃদ্ধ জীৱনৰ বৰ্ণনাই উপন্যাসখনক বৈচিত্ৰময় আৰু আকৰ্ষণীয় কৰি তুলিছে। ☐

# *MINORITY RIGHTS IN INDIA:-*

**Bhaskar Jyoti Tamuli**
*Asstt. Professor*
*Dept. of Political Science*
*L.T.K. College*

*Human* rights in present times is a very important matter for discussion. Human Rights include all such kind of rights which are very much important for living in at present world. Minority Rights are also significant rights which are important part of human rights. Generally the term 'minority' refers to those people who are not Hindu. The Indian Constitution identifies two categories of minorities: linguistic and religious. The following communities are recognized as minorities by the government - Muslim, Christians, Sikhs, Buddhists, and Zoroastrians. It was the ministry of Social Justice and Empowerment that identifies these groups under 2© of the Statute of National Commission of Minorities (NCM). But NCM did not give any kind of definition about minorities. In practically, we can see that Govt. of India used popular and religious yardsticks for the identification of minorities in India. Indian Constitution under schedule eight recognizes eighteen major languages. Under Indian Constitution there are certain articles which provides for certain guarantees for the linguistic minorities, these are article 347, 350, 350A and 350B. There are several religions in India. In 2001, the population of India was 1,027,015,247. If the number around 1028 million, 828 million are Hindus, 138 million are Muslim, 24 Million are Christian, 19 million Sikhs, 8 million are Buddhist and 4.2 million are Jain. In India there are six main ethnic groups and fifty two major tribes, six major religions and 6,400 castes and sub - castes; eighteen major languages and 1,600 minor languages and dialects. After World War I and II, several special measures were taken for the protection of minorities. The Convention on the Prevention and Punishment of the Crime of Genocide in 1948 is the first instrument which has some bearings on minority protection. Other important instruments are - Indigenous and Tribal Peoples Convention (1989), ICCPR, International Convention on the Elimination of All Forms of racial Discrimination etc. On 18 December 1992, the UN Declaration on the Rights of National or Ethnic, Religious,

and Linguistic Minorities was adopted by General Assembly. The cultural and religious rights of the minorities and the right to be protected against majoritarianism were recognized as far back as 1928 in the Motilal Nehru Draft Constitution. The Indian Constitution includes various provisions for the welfare of the minorities; they are namely, Articles 15, 16, 25, 26, 27, 28, 29 and 30. Article 15 provides that the state should not make any discrimination on the grounds of religion, race, sex or palace of birth. Article 16 provides that citizen shall not be denied from public employment on the grounds of sex, race, religion and caste and birth place. Again, article 25 grants every individual the freedom of conscience and the right to profess, practice and propagate freely his or her religion. Article 28(1) prohibits any educational institution, which is wholly maintained out of State funds, to provide religious instruction. The Indian Constitution neither defines the term "minority", nor provides sufficient elements to elaborate upon a test determination whether a particular group constitutes a minority. Muslim personal Laws and Uniform Civil Code play a very important role for the minority rights in India. The Muslim Personal Laws have been a source of political contention in India. Indian Muslims view that constitutional commitment to a Uniform Civil Code as stipulated in Article 44 as an attempt to dilute the cultural identity of the Muslim community. By the resolution of 12 December, 1978 of the Ministry of Home Affairs, A Minorities Commission was established. Later, the Minority Commission was renamed as the National Commission for Minorities (NCM), which was constituted on 17 May 1993. At present, 14 states have State Minority Commission. NCM is composed of a Chairperson, a Vice Chairperson and five members. Section 9 of the NCM Act spells out the functions of the NCM. There have Special Officer for Linguistic Minorities. The office of the Special officer for Linguistic Minorities is also known as the commissioner for Linguistic Minorities which was created in July 1957, in accordance with Article 350B of the Constitution.

The issue of minority rights in India is a very important issue for discussion in present times. Every people have equal rights without any discrimination. But sometimes we see that the people belonging to the minority community cannot enjoy their human rights. Because, they are

not aware of these rights which are given to them by the constitution to live a happy life. Through this article an attempt has been made to provide some basic information about rights which are very important for people to live a happy and peaceful life.

## REFERENCE:-


- Sinha Manoj Kumar, Minority Rights: A Case Study of India,

  International Journal on Minority and Group Rights 12: 355 - 374, 2005. © Koninklijke Brill NV. Printed in the Netherlands.

- M. N. Srinivas, Caste in Modern India and Other Essays (Asia Publishing House, Bombay, 1962)

- D. D. Basu, Human Rights in Constitutional Law (Prentice Hall, New Delhi, 1994)

- P. M. Bakshi, The Constitution of India, Selective Coments (Universal Law Publishing Co., Delhi, 2002)

- UN General Assembly Resolution 47/135 of 18 December 1992.

- S. Kazi, Muslim Women in India (Minority Rights Group, London, 1999)

www.Socialjustice.nio.in

www.nhrc.nic.in/Gujrat.htm>


RESHMAN SOCIAL 2016
DEPARTMENT OF POLITICAL SCIENCE
L.T.K. COLLEGE, AZAD, N.L.
DATE :- 17-08-2016




DEPARTMENT OF POLITICAL SCIENCE


FRESHMAN SOCIAL 2016
DEPARTMENT OF POLITICAL SCIENCE
L.T.K. COLLEGE, AZAD, N.L.
DATE :- 17-08-2016



Confidence and Hardwork is the Best Medicine to Kill the Disease called Failure. It will Make You Successful Person......